সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ, ১৩ সংখ্যা, ১৪ চ'ত, ৰবিবাৰ, ১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 13 Date of Publication- 29 March 2026 Rs. 10.00/-

## গুৱাহাটীত বিশাল ৰোড শ্ব' কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ





ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ ৰাজপথত আজি হাজাৰ হাজাৰ লোকৰ সমাগমেৰে বিজেপিয়ে প্ৰদৰ্শন কৰিলে নিজৰ শক্তি। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে দুদিনীয়া কাৰ্য-সূচীৰে অসমত উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিশাল জন সমুদ্ৰৰ মাজেৰে কৰা এক ৰোড শ্ব'ৰ জৰিয়তে বিৰোধী দলবোৰক জনাই দিলে বিজেপিৰ শক্তি পৰাক্ৰমৰ বাৰ্তা। ৰোড শ্ব'ত অংশগ্ৰহণৰ মাজতে সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়- অসমে দ্ৰুতগতিত প্ৰগতিৰ যাত্ৰা ( পাঁচ পৃষ্ঠাত চাওক)

## নেপালৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী কে পি আ'লিক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- নেপালৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী কে পি আ'লি আৰু গৃহমন্ত্ৰী ৰমেশ লেখকক নেপাল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। দেশখনৰ কনিষ্ঠতম প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ ২৪ ঘণ্টাৰ ভিতৰতে প্ৰতিশোধ পূৰণৰে কে পি অ'লি আৰু ( দুই পৃষ্ঠাত চাওক)

## বৰ্ষাসিক্ত পৰিৱেশতো মুখ্যমন্ত্ৰীৰ বিজয় সংকল্প সভা

ৰঙিলী বাৰ্ত্তাসেৱা- বৰ্ষাসিক্ত পৰিৱেশৰ মাজতো নিৰ্বাচনী প্ৰচাৰ অভিযান অব্যাহত ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুনৰ তিনিখন বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে। প্ৰতিকূল বতৰৰ পিছতো মুখ্যমন্ত্ৰীৰ উপস্থিতিত বিজনী, তামুলপুৰ আৰু ছিপাঝাৰ বিধানসভা সমষ্টিত অনুষ্ঠিত এই বিজয় সংকল্প সভালৈ সমাজৰ সকলো শ্ৰেণীৰ জনতাই ব্যাপক উৎসাহ-উদ্দীপনাৰে সমৰ্থন আগবঢ়ায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰথমে বিজনী বিধানসভা সমষ্টিৰ প্ৰাৰ্থী অৰূপ কুমাৰ দে'ৰ সমৰ্থনত উলুবাৰী ৰাজহুৱা খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাখনত অংশগ্ৰহণ কৰে। এই সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়- বিটিচিৰ অন্তৰ্গত ১৫টা বিধানসভা সমষ্টিত এইবাৰ বিজেপিয়ে চাৰিখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছে আৰু এই চাৰিওখন আসনতে বিজেপিৰ জয় সম্ভাৱনা এশ শতাংশ নিশ্চিত। তেওঁ কয়- বিগত বিটিচি নিৰ্বাচনৰ সময়ত বিজনীলৈ অহাৰ সময়ত বিজনী ৰে'ল ষ্টেচনত কেইখনমান ৰে'লৰ ষ্ট'পেজ প্ৰদানৰ বাবে জনসাধাৰণৰ আবেদন লাভ কৰিছিল। সেই আবেদনৰ ভিত্তিতেই ইতিমধ্যে বিজনী ৰে'ল ষ্টেচনত কামৰূপ এক্সপ্ৰেছ, নৰ্থ-ইষ্ট এক্সপ্ৰেছ আৰু নগাঁও এক্সপ্ৰেছৰ ষ্ট'পেজ প্ৰদান কৰা হৈছে। ভাষণত মুখ্যমন্ত্ৰীয়ে চৰকাৰী নিযুক্তি প্ৰদানৰ কথা উল্লেখ কৰি কয় যে ২০২১ চনৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি চৰকাৰখনে ইতিমধ্যে ১ লাখ ৬৫ হাজাৰ যুৱক-যুৱতীক চাকৰি প্ৰদান কৰিব্বলৈ সক্ষম হৈছে। অহা ৫ বছৰত পুনৰ ২ লাখ যুৱক-যুৱতীক অনুৰূপ স্বচ্ছতাৰে নিযুক্তি প্ৰদান কৰা হ'ব। ক্ষুদ্ৰ বিত্তীয় অনুষ্ঠানৰ ঋণৰ গ্ৰাসৰ পৰাও মহিলাসকলক সকাহ দিয়াৰ প্ৰতিশ্ৰুতিও চৰকাৰে ইতিমধ্যে পূৰণ কৰিছে। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে আত্মসহায়ক গোটৰ মহিলাসকলক ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হৈছে। বিজনী সমষ্টিৰ সকলো দুখীয়া মহিলাই যাতে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিব পাৰে, সেই উদ্দেশ্যে আগন্তুক সময়ত সমষ্টিটোত নতুনকৈ ১০ হাজাৰ মহিলাক আঁচনিখনৰ দ্বাৰা ( পাঁচ পৃষ্ঠাত চাওক)



## যোৰহাটত ভয়ংকৰ বিস্ফোৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰচণ্ড বিস্ফোৰণত কঁপি উঠিল যোৰহাট চহৰ। যোৰহাট নগৰত ৰজামৈদাম নিউকলনীৰ এটা ভাৰাঘৰত সংঘটিত হয় এক ভয়ংকৰ বিস্ফোৰণ। এই বিস্ফোৰণৰ ফলত এজন ব্যক্তিৰ থিতাতে মৃত্যু হোৱাৰ লগতে এটি সাত বছৰীয়া শিশুৰ মৃত্যু হয়। আনহাতে এই বিস্ফোৰণত আহত হোৱা এগৰাকী মহিলা কিছু পৰিমাণে আঘাতপ্ৰাপ্ত হোৱাৰ লগতে আন এটি শিশুৱেও মৃত্যুৰে যুঁজি আছে। বিস্ফোৰণত মৃত্যু হোৱা ব্যক্তিজনৰ নাম নুৰ মহমদ আৰু শিশুটিৰ নাম ইকবাল হুছেইন। জানিব পৰা মতে বাবুল আনছাৰি নামৰ ব্যক্তিজনৰ ভাৰাঘৰত থাকি নুৰ মহম্মদ নামৰ ব্যক্তিজনে নগৰখনৰ বিভিন্ন স্থানৰ পৰা ভঙা-ছিঙা সামগ্ৰী সংগ্ৰহ কৰি ডেম্পত বিক্ৰী কৰি আহিছিল। কিন্তু ব্যক্তিজনে সংগ্ৰহ কৰা কিছু সামগ্ৰী ভাৰা ঘৰটোত মজুত কৰি থৈছিল। শনিবাৰে বিয়লি প্ৰায় ৩.৩০ বজাত নুৰ মহম্মদে ভাৰা ঘৰটোত ( দহ পৃষ্ঠাত চাওক)

## ভৱেশ কলিতাৰ হৈ ৰঙিয়াত কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানৰ নিৰ্বাচনী সভা



ৰঙিলী বাৰ্ত্তাসেৱা- ৰঙিয়াৰ তৰণী আৰিমত্ত মিনি ষ্টেডিয়ামত আয়োজিত বিজেপিৰ বিশাল নিৰ্বাচনী সভাত স্থানীয় বিধায়ক তথা বিজেপি প্ৰাৰ্থী ভবেশ কলিতাৰ হৈ কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে ( তিনিপৃষ্ঠাত চাওক)

# অংগাভিনয় অসমৰ বিহু কৰ্মশালাৰ সফল সমাপ্তি

দেৱাশীষ গোস্বামী, নগাওঁ, ৰঙিলী বাৰ্ত্তাসেৱা- টিক টিক টিক টিক.... সময়ৰ টিকনিক সদায়েই নিজৰ আয়ত্বত ৰখা অংগাভিনয় অসমৰ মুখ্য প্ৰশিক্ষক বনশ্ৰী শৰ্মাৰ মাতটো মাইক্ৰ'ফোনত ৰজনজনাই যোৱাৰ লগে লগে ঘড়ীটোলৈ লক্ষ্য কৰাত ঘড়ীটোৱে আবেলি ৩ বজাৰ সংকেট দিলে। কোনো অনুষ্ঠানতে সময়ৰ হিনদেৰী নকৰা পূৰ্বৰ 'ৰেকৰ্ড' ভংগ নকৰাকৈ এইবাৰো অংগাভিনয় অসমৰ ২০ মাৰ্চৰ পৰা ২৬ মাৰ্চ ২০২৬ লৈ আয়োজন কৰা বিহুনাচ, বিহুনাম আৰু ঢোলবাদন কৰ্মশালাৰ সামৰণি অনুষ্ঠান নগাওঁ পুৰণিগুডাম স্থিত ঐতিহ্যমণ্ডিত বাপুজী ভৱন খেল পথাৰত এক সুন্দৰ অনুকূল পৰিৱেশত মুকলি আকাশৰ তলত শতাধিক দৰ্শকৰ উপস্থিতিত আৰম্ভ কৰা হয়। অংগাভিনয় অসমৰ মুখ্য প্ৰশিক্ষক বনশ্ৰী শৰ্মাৰ সভাৰ উদ্দেশ্য বাখ্যাৰ পিছতে এই বাৰৰ কৰ্মশালাৰ আমন্ত্ৰিত প্ৰশিক্ষক দ্বয় ক্ৰমে ৰাজু শইকীয়া আৰু জয়ন্ত বৰা দেৱক সম্বৰ্ধনা জনোৱা হয়। দুয়োগৰাকী আমন্ত্ৰিত সুদক্ষ প্ৰশিক্ষকৰ চমু কিন্তু যথেষ্ট মূল্যবান বক্তব্যৰ পিছতে তেওঁলোকৰ অনুমতি সাপেক্ষে পূৰ্ব পৰিকল্পিত অনুষ্ঠান সমূহৰ শোভাৰম্ভ কৰা হয়। বিগত ৭টা দিনে সুদক্ষ প্ৰশিক্ষকদ্বয়ৰ দ্বাৰা প্ৰশিক্ষিত সকলো প্ৰশিক্ষাৰ্থীয়ে নিজৰ নিজৰ প্ৰতিভা সমূহ ৰাইজৰ সন্মুখত সুন্দৰকৈ ডাঙি ধৰি দুয়োজন প্ৰশিক্ষকৰ কষ্টৰ সাৰ্থকতা সুন্দৰভাৱে প্ৰতিফলিত কৰি তোলে।




উল্লেখযোগ্য যে অনুষ্ঠানটোৰ ( নপৃষ্ঠাত চাওক)

# STATEMENT ABOUT OWNERSHIP AND OTHER PARTICULARS ABOUT NEWS-PAPER RONGILI BARTA

## (FORM-IV)

## RULE

1. Place of Publication : A.K.DEV ROAD,House No. 62, Mapara Shitala Mandir Path,Guwahati

2. Periodicity of the Publication : Weekly

3. Printer Name : Dr. Uddipta Nayan Medhi
Whether citizen of India (If Foreigner, state country of the origin) Yes
Address : A.K.DEV ROAD,House No. 62, Manpara Shitala Mandir Path, Guwahati-781025

4. Publisher's Name
Address : Dr. Uddipta Nayan Medhi House No. 62, Manpara Shitala Mandir Path, Guwahati-781025

5. Editor Name
Address : Dr. Uddipta Nayan Medhi House No. 62, Manpara Shitala Mandir Path, Guwahati-781025

6. Name and Address of individual who own the newspaper : Dr. Uddipta Nayan Medhi House No. 62, Manpara Shitala Mandir Path, Guwahati-781025

I, Dr. Uddipta Nayan Medhi do hereby declare that the particulars given above are true to the best of my Knowledge and belief.

Dr. Uddipta Nayan Medhi

Date- 29-03-2026

Dr. Uddipta Nayan Medhi
Signature of the Publisher

# ৰূপহীহাটত কংগ্ৰেছ ত্যাগ কৰি চাৰি শতাধিক নেতা-কৰ্মীৰ অগপত যোগদান



ৰঙিলী বাৰ্ত্তাসেৱা- ৰূপহীহাটৰ অগপ প্ৰাৰ্থী জাকিৰ হুছেইন ফৰাজীয়ে সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ তীব্ৰ কৰি তুলিছে। ৰূপহীহাটত জাকিৰ হুছেইন ফৰাজীৰ হৈ বিজেপিৰ ছালমা জেছমিন, আবুল হুছেইন, বাবুল আহমেদক প্ৰচাৰত নামি পৰা দেখা গৈছে। সমষ্টিটোৰ বিভিন্ন পঞ্চায়তত বিজেপি আৰু অগপ নেতা-কৰ্মীসকলে ব্যাপক প্ৰচাৰত নামি পৰা দেখা গৈছে। আনহাতে ৰূপহীহাট কংগ্ৰেছত আৰম্ভ হৈছে দল ত্যাগৰ জোৱাৰ। ৰূপহীহাটৰ জুৰীয়া, বগৰিগুৰি, কছাৰীগাঁও, ফুটালজাৰ আদি পঞ্চায়তত অগপ প্ৰাৰ্থী জাকিৰ হুছেইন ফৰাজীয়ে প্ৰচাৰ চলায়। অগপ প্ৰাৰ্থী জাকিৰ হুছেইন ফৰাজীৰ নিৰ্বাচনী প্ৰচাৰত বিভিন্ন পঞ্চায়তৰ পৰা চাৰি শতাধিক কংগ্ৰেছৰ নেতা-কৰ্মীয়ে অগপত যোগদান কৰে। অগপ দলত যোগদান কৰাসকলক অগপ দলৰ প্ৰাৰ্থী জাকিৰ হুছেইন ফৰাজীয়ে অগপ দলৰ গামোচা আৰু টুপীৰে আদৰি লয়। এইবাৰ নিৰ্বাচনত ৰূপহীহাটত কংগ্ৰেছবিৰোধী ঢৌ দেখিবলৈ পোৱা গৈছে। সমষ্টিটোৰ প্ৰান্তে প্ৰান্তে ভোটাৰ ৰাইজ ক্ষুব্ধ হৈ নুৰুল হুদাৰ বিৰুদ্ধে সামাজিক মাধ্যমত ক্ষোভ উজাৰিছে।

# নেপালৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী

ৰমেশ লেখকক গ্ৰেপ্তাৰৰ নিৰ্দেশ দিয়ে। যোৱা বছৰৰ ছেপ্টেম্বৰ মাহত জেন-জি আন্দোলনৰ সময়ত প্ৰধানমন্ত্ৰী কে পি অ'লিয়ে পলায়ন কৰিছিল। ইয়াৰ পিছত দেশখনৰ উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ সুশীলা কাকীয়ে অন্তৰ্বৰ্তীকালীন চৰকাৰৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চলিত বৰ্ষৰ ৫ মাৰ্চত নেপালত নিৰ্বাচন অনুষ্ঠিত হয়। ৬৫টা ৰাজনৈতিক দলে ১৬৫খন আসনত প্ৰতিদ্বন্দ্বিতা কৰা নিৰ্বাচনত প্ৰাক্তন ৰেপাৰ বলেন্দ্ৰ শ্বাহৰ নেতৃত্বত নৱগঠিত ৰাষ্ট্ৰীয় স্বয়ংসেৱক পাৰ্টীয়ে দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰে ক্ষমতাত অধিষ্ঠিত হয়। কালি বলেন্দ্ৰ শ্বাহে দেশখনৰ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ইয়াৰ পিছতে জেন-জি প্ৰতিবাদৰ সময়ত প্ৰতিবাদকাৰীৰ ওপৰত নিৰ্বিচাৰ গুলীবৰ্ষণ ৰোধ কৰাত ব্যৰ্থ প্ৰাক্তন প্ৰধানমন্ত্ৰী কে পি আ'লি আৰু গৃহমন্ত্ৰী ৰমেশ লেখকক গ্ৰেপ্তাৰ কৰি প্ৰতিশোধ পূৰণ কৰে। দুয়োগৰাকী নেতাৰ বিৰুদ্ধে কেতবোৰৰ অভিযোগ উত্থাপন কৰা হৈছে। হিংসাত্মক ঘটনাৰ তদন্তৰ বাবে গঠন কৰা উচ্চ পৰ্যায়ৰ আয়োগে তদন্ত কৰি থকা অভিযোগৰ ভিত্তিত যদি তেওঁলোক দোষী হয়, তেন্তে ১০ বছৰপৰ্যন্ত শাস্তি হ'ব পাৰে।

# বিহপুৰীয়া-ৰঙানদী-ঢকুৱাখনা-নাওবৈচা-লখিমপুৰত প্ৰচাৰ অভিযান মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিহপুৰীয়া, ৰঙানদী, ঢকুৱাখনা আৰু নাওবৈচা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। এই প্ৰচাৰ অভিযানত মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক তুলাধুনা দিয়াই নহয়, সন্দেহযুক্ত বাংলাদেশীৰ পক্ষত থিয় দিয়া কংগ্ৰেছৰ বৰ অসমক তীব্ৰ কটাক্ষও কৰে। বিহপুৰীয়াত দলীয় প্ৰাৰ্থী ভূপেন বৰাক কাষত লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণত কয়-মই কংগ্ৰেছ আৰু কংগ্ৰেছ দলৰ সভাপতি গৌৰৱ গগৈক ক'ব খোজোঁ আমাৰ অসমীয়াই বাংলাদেশীক কেতিয়াও স্বীকাৰ নকৰে। আমি বাংলাদেশীৰ লগত যুঁজিম আৰু জিকিম। কংগ্ৰেছে কৈ আহিছে এখন যুঁজ হ'ব বুলি। মই কংগ্ৰেছক ক'ব বিচাৰোঁ, এইবাৰ যুঁজ নহয়, ভয়ংকৰ যুঁজ হ'ব বাংলাদেশীৰ লগত। বাংলাদেশীক মই শান্তিৰে থাকিব নিদিওঁ। সেইকাৰণে কংগ্ৰেছক কৈছোঁ- তেওঁলোকে সংলাপ নতুনকৈ লিখক। এইবাৰ যুঁজ এখন নহয়, বাংলাদেশীৰ লগত ভয়ংকৰ যুঁজ হ'ব। উল্লেখ্য যে নামনি অসমত নিৰ্বাচনী প্ৰচাৰৰ জোৱাৰ তুলি উত্তৰ অসমত চাৰিটা সমষ্টিত মুখ্যমন্ত্ৰীয়ে আৰম্ভ কৰা প্ৰচাৰ অভিযানত দেখা গ'ল লক্ষাধিক ৰাইজ। জাতি-মাটি-ভেটিৰ শ্ল'গানৰ লগতে এইবাৰ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নতুন শ্ল'গান হ'ল ৰুটী-মাটি আৰু বেটী। ৰুটী-মাটি- বেটী ৰক্ষাৰ বাবে ৰাইজৰ পৰা আশীৰ্বাদ বিচাৰিলে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয়- অসমত এটা নতুন বাতাৱৰণ সৃষ্টি কৰাই আছিল আমাৰ লক্ষ্য। যোৱা পুটা বছৰত মই প্ৰচেষ্টা চলাইছিলোঁ যে বাংলাদেশী মিঞাসকলে যাতে অসমৰ ৰাইজৰ বুকুত কামোৰ মাৰিব নোৱাৰে, অসমখন যাতে সুৰক্ষিত হৈ থাকে। যোৱা ৫ বছৰত আমি ডেৰ লাখতকৈ অধিক বিঘা ভূমি বাংলাদেশীৰ পৰা উচ্ছেদ কৰি তেওঁলোকক শিকাই দিলোঁ- আমাক যদি কোনোবাই ৰঙাচকু দেখুৱায়, আমিও ৰাজনৈতিকভাৱে বহি নাথাকোঁ। অসমীয়াৰ হাততো শক্তি আছে, তেওঁলোকৰ হাত-ভৰি ভাঙি দিবৰ বাবে। গৌৰৱ গগৈক তীব্ৰ সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয়- মই কংগ্ৰেছক কৈছোঁ নতুন বৰঅসম আমি কৰিব নিদিওঁ। নতুন বৰঅসমত বাংলাদেশী থাকিব। আমাক নতুন বৰঅসম নালাগে। চাওলুং চুকাফা আৰু শংকৰদেৱে (দহ পৃষ্ঠাত চাওক)

# বিজেপিৰ পৰা বহিষ্কাৰ ৯ গৰাকী নেতাক



ৰঙিলী বাৰ্ত্তাসেৱা- ৯ গৰাকী নেতাক দলৰ পৰা বহিষ্কাৰ কৰিলে বিজেপিয়ে। অসম বিধানসভা নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থীৰ বিৰুদ্ধে প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ বাবে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ ৬ বছৰৰ বাবে দলৰ পৰা ৯গৰাকী নেতাক বহিষ্কাৰ কৰে। তেওঁলোক হৈছে ক্ৰমে দিছপুৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী জয়ন্ত কুমাৰ দাস, বৰপেটা বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা উদ্ধৱ দাস, কলিয়াবৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী জিতেন্দ্ৰজিৎ গৌৰ, বৰখলা বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা অমলেন্দু দাস, গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিৰ প্ৰাৰ্থী ধনজিৎ ৰাভা, বঙাইগাঁও বিধানসভা সমষ্টিৰ প্ৰাৰ্থী চক্ৰধৰ দাস, বৰপেটা বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা গগন চন্দ্ৰ হালৈ, কমলপুৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী অংকুৰ দাস আৰু লামডিং বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা যশোদা দুলাল শ্চশ্যামলগ্ন ৰক্ষিত। ইফালে নিৰ্বাচন দলৰ মনোনীত প্ৰাৰ্থীৰ বিপৰীতে অন্য প্ৰাৰ্থীক সহযোগিতা আৰু সমৰ্থন আগবঢ়োৱাৰ বাবে তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ ৬ গৰাকী নেতাক দলৰ প্ৰাথমিক সদস্যৰ (দহ পৃষ্ঠাত চাওক)

# প্ৰতিলিটাৰ পেট্ৰ'ল-ডিজেলত ১০ টকাকৈ আবকাৰী শুল্ক হ্ৰাস




ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় চৰকাৰে পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত প্ৰতি লিটাৰত ১০ টকাকৈ আবকাৰী শুল্ক হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে। এই সিদ্ধান্তৰ পিছত পেট্ৰ'লৰ ওপৰত আৰোপ কৰা শুল্ক ১৩ টকাৰ পৰা কমি হ'লগৈ ৩ টকা আৰু ডিজেলৰ ক্ষেত্ৰত ই নামিল শূন্যলৈ। এই সিদ্ধান্ত দেশৰ তেল বিপণনকাৰী সংস্থাসমূহৰ (অ'এমচি) ক্ষতি লাঘৱ কৰিবলৈ লোৱা হৈছে। ইয়াৰ ফলত চৰকাৰেও ৰাজহ হেৰুৱাব লাগিব। বিশ্বৰ বিভিন্ন দেশৰ পৰা ভাৰতীয় সংস্থাসমূহে যি অপৰিশোধিত তেল আমদানি কৰে তাৰ ওপৰত চৰকাৰে এই আবকাৰী শুল্ক আৰোপ কৰে। যোৱা বছৰ এই শুল্ক বৃদ্ধি কৰিছিল কেন্দ্ৰীয় চৰকাৰে। কিন্তু সম্প্ৰতি যুদ্ধৰ (দহ পৃষ্ঠাত চাওক)

# ৩০ মাৰ্চত 'নমো এপ'ৰে ৰাজ্যবাসীৰ সৈতে কথা পাতিব প্ৰধানমন্ত্ৰীয়ে

ৰঙিলী বাৰ্ত্তাসেৱা- সমাগত বিধানসভা নিৰ্বাচনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসভাত অংশগ্ৰহণ কৰাৰ লগতে দলীয় কাৰ্যকৰ্তা আৰু ৰাজ্যবাসীৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰাৰ উদ্দেশ্যে অহা ৩০ মাৰ্চৰ দুপৰীয়া এক বজাত''নমো এপ'যোগে পোনপটীয়াকৈ সংযুক্ত হ'ব। ইয়াৰ বাবে দলীয় কাৰ্যকৰ্তা আৰু ৰাজ্যবাসীক 'নমো এপ' ডাউনলোড কৰাৰ উপৰি পঞ্জীয়ন কৰিবলৈ দলৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে। 'নমো এপ' ডাউনলোড কৰিবলৈ ১৮০০২০৯০৯২০ নম্বৰত মিছকল দিব পাৰিব। সেইদৰে ডাউনলোড কৰি পঞ্জীয়নৰ বাবে httpps://ww.narendramodi.in/mbsmasm লিংকত ক্লিক কৰিব পাৰিব বুলি ৰাজ্যিক বিজেপিৰ তৰফৰ পৰা সদৰী কৰা হৈছে। ইফালে অহা ৩১ মাৰ্চত অসম ভ্ৰমণসূচী স্থিৰ হৈছে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছৰ। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অহা ৩১ মাৰ্চৰ পুৱা বিমানযোগে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হৈ পোনে পোনে ৰাওনা হ'ব তেজপুৰ অভিমুখে। তেজপুৰ কলেজিয়েট ফিল্ডত অনুষ্ঠিত হ'বলগীয়া এখন জনসভা সম্বোধন কৰি তেওঁ মিত্ৰজোঁটৰ অংশীদাৰ অগপ প্ৰাৰ্থী তথা বিধায়ক পৃথ্বিৰাজ ৰাভাৰ হৈ প্ৰচাৰ চলাব। তেজপুৰৰ কাৰ্যসূচী সামৰি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে যাব দেৰগাঁও সমষ্টিৰ বালিজানলৈ। বালিজান বাগিচা খেলপথাৰত অনুষ্ঠিতব্য এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভা তেওঁ সম্বোধন কৰাৰ কথা। এই সভাখনৰ জৰিয়তে তেওঁ প্ৰচাৰ চলাব দলীয় প্ৰাৰ্থী মৃদুল কুমাৰ দত্তৰ হৈ। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সেইদিনাই অসম ভ্ৰমণসূচী সামৰি নতুন দিল্লী অভিমুখে উভতি যাব। সেইদৰে অহা ৩১ মাৰ্চৰ পুৱাৰ ভাগত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হ'বলগীয়া মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছে হেলিকপ্টাৰযোগে যাব যোৰহাটলৈ। সমষ্টিটোৰ দলীয় (দহ পৃষ্ঠাত চাওক)

# ৰঙিয়াত কেন্দ্ৰীয় কৃষিমন্ত্ৰী

নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰতিকূল বতৰকো নেওচি ১০ সহস্ৰাধিক লোকে সভাত অংশগ্ৰহণ কৰে। সভাস্থলীত উপস্থিত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক দলীয় কৰ্মী-সমৰ্থকসকলে আদৰণি জনায়। সভাত মন্ত্ৰী চৌহানে অসমৰ বৰ্তমান বিৰামহীন প্ৰগতিৰ প্ৰশংসা কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যত অভূতপূৰ্ব উন্নয়ন হৈছে। মধ্যপ্ৰদেশত মোক মামা বুলি জানে আৰু অসমতো মুখ্যমন্ত্ৰীক সেইদৰে মামা বুলি মৰম কৰে। অসমখন দেশৰ অন্যতম আগশাৰীৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে। লগতে যোগাযোগ, শিক্ষা, স্বাস্থ্য, কৃষি আৰু উদ্যোগ আদি বিভিন্ন ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উলেখ কৰে। আত্মসহায়ক গোটক অনুদান, অৰুণোদয় আঁচনি আদিৰ দ্বাৰা মহিলা সবলীকৰণৰ ক্ষেত্ৰতো চৰকাৰে বিভিন্ন উদ্যোগ গ্ৰহণ কৰিছে। মন্ত্ৰী চৌহানে ৰাইজক ভৱেশ কলিতাক ভোট দি পুনৰ বিধায়ক হিচাপে নিৰ্বাচিত কৰাৰ লগতে ড° শৰ্মাক মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী মোদীৰ বিকাশ যাত্ৰাক তৰান্বিত কৰাৰ বাবে সমৰ্থন জনাবলৈ আহ্বান জনায়। সভাত বিধায়ক কলিতাই বিহুগীত গাই উপস্থিত ৰাইজৰ মন জয় কৰিবলৈ প্ৰয়াস কৰে। আনহাতে, ভাষণ প্ৰসংগত বিধায়ক কলিতাই কয় যে স্বাধীনতাৰ পিছত দীঘলীয়া সময় শাসনত থাকিও কংগ্ৰেছ উন্নয়নৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। কংগ্ৰেছ শাসনত সমাজ বিভাজন বৃদ্ধি পাইছিল আৰু উন্নয়নত বাধাৰ সৃষ্টি হৈছিল। কিন্তু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যত নতুন দিগন্তৰ সূচনা হৈছে। ইতিমধ্যে ১ লাখ ৬৫ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে চাকৰি লাভ কৰিছে আৰু আগন্তুক সময়ত ২ লাখতকৈ অধিক নিয়োগৰ ব্যৱস্থা কৰা হ'ব। জনসাধাৰণৰ কল্যাণৰ বাবে এই চৰকাৰখনে কৰা কামত সন্তুষ্ট হৈ আস্থা বৃদ্ধি পাইছে। সমাগত বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এনডিএ পুনৰবাৰ চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ব বুলি কলিতাই দোহাৰে। বিজেপি নেতা নৰেন্দ্ৰ তালুকদাৰে আঁত ধৰা উক্ত সভাত কামৰূপ জিলা পৰিষদৰ সভাপতি নিপন ভূঞা, ৰঙিয়া পৌৰসভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰ, বিজেপিৰ জিলা সভাপতি ভাস্কৰ কলিতা, বৰলীয়াপাৰ মণ্ডল ব্লক বিজেপিৰ সভাপতি সুকুমাৰ লহকৰ, জিলা পৰিষদৰ প্ৰাক্তন সদস্য লিটন কলিতাকে আদি কৰি বহুকেইগৰাকী নেতা উপস্থিত থাকে।

# বৰপেটা মেডিকেলৰ নাম সলনি কৰিবলৈ গৌৰৱ গগৈয়ে ৭টা জনম ল’ব লাগিবঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- ফখৰুদ্দিন আলি আহমেদ মেডিকেল কলেজৰ নাম সলনি কৰি বৰপেটা মেডিকেল কলেজ কৰা সন্দৰ্ভত গৌৰৱ গগৈৰ মন্তব্যক প্ৰত্যাহ্বান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে সৰ্থেবাৰীত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈক উভতি ধৰি কয়- বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নাম সলনি কৰিবলৈ গৌৰৱ গগৈয়ে ৭ বাৰ জনম ল’ব লাগিব। উল্লেখ্য যে মন্দিয়াৰ এখন নিৰ্বাচনী সভাত গৌৰৱ গগৈয়ে ঘোষণা কৰিছিল যে বৰপেটা চিকিৎসা মহাবিদ্যালয়খনৰ পৰা প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত ফখৰুদ্দিন আলী আহমেদৰ নাম আঁতৰাই দিয়া হৈছে যদিও কংগ্ৰেছৰ নেতৃত্বত চৰকাৰ গঠন হ’লে পুনৰ চিকিৎসা মহাবিদ্যালয়খনৰ নাম পুনৰ ফখৰুদ্দিন আলী আহমেদৰ ( নপৃষ্ঠাত চাওক)

# মহানগৰীৰ জু-ৰোডত বন্ধ কোঠাত যুৱতীৰ মৃতদেহ উদ্ধাৰ



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ ভাড়াঘৰত পুনৰ ৰহস্যজনক অৱস্থাত উদ্ধাৰ এগৰাকী যুৱতীৰ মৃতদেহ। জু-ৰোডৰ জুৰণি পথৰ এটা গৃহত এগৰাকী যুৱতীৰ ৰহস্যজনক আত্মহননক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আত্মহননৰ দৰে চৰম পন্থা লোৱা যুৱতীগৰাকীক গীতানগৰ আৰক্ষীয়ে সৰভোগৰ ৩১ বছৰীয়া ফাৰহান চুলতানা বুলি চিনাক্ত কৰিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, জুৰণি পথৰ এঘৰত ভাৰাতীয়া হিচাপে ( নপৃষ্ঠাত চাওক)

# ৬৭ প্ৰাৰ্থীয়ে প্ৰত্যাহাৰ কৰিলে মনোনয়ন-পত্ৰ

ৰঙিলী বাৰ্তাসেৱা- অহা ৯ এপ্ৰিলত অনুষ্ঠিত হ’ব ভোটগ্ৰহণ। এইবাৰৰ নিৰ্বাচনত ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত মুঠ ৭২২গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখযোগ্য যে মুঠ ৮১৫গৰাকী প্ৰাৰ্থীয়ে ১২৬টা সমষ্টিত ১,৩৮৯খন মনোনয়ন-পত্ৰ দাখিল কৰিছিল। মনোনয়ন-পত্ৰৰ পৰীক্ষণ সম্পন্ন হোৱাৰ পাছত ৭৮৯গৰাকী প্ৰাৰ্থী নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবৰ বাবে যোগ্য বুলি বিবেচিত হৈছিল। এই ৭৮৯গৰাকী বৈধ প্ৰাৰ্থীৰ ভিতৰত ৬৭ গৰাকী প্ৰাৰ্থীয়ে তেওঁলোকৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰে। ইয়াৰ পিছত ৭২২জনে কাৰ্যতঃ নিৰ্বাচনী সমুখ সমৰত অৱতীৰ্ণ হ’ব। উল্লেখ্য যে মনোনয়ন প্ৰত্যাহাৰ কৰা প্ৰাৰ্থীসকলৰ ভিতৰত উল্লেখযোগ্য প্ৰাৰ্থীগৰাকী হৈছে মানকাচৰ সমষ্টিৰ এনপিপিৰ পৰা মনোনয়ন দাখিল কৰা বিধায়ক আমিনুল ইছলাম। এআইইউডিএফ ত্যাগ কৰা বিধায়কগৰাকীৰ সমষ্টিটোত আছিল যথেষ্ট প্ৰভাৱ আৰু প্ৰতিপত্তি। মুখ্যতঃ এনপিপিৰ সভাপতি কনৰাড চাংমাৰ পৰা নিৰ্বাচনৰ বাবে পৰ্যাপ্ত সহায়-সমৰ্থন লাভ নকৰাৰ বাবেই ( নপৃষ্ঠাত চাওক)

# গৌৰৱ গগৈৰ বৰ অসমক তীব্ৰ সমালোচনা মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- গৌৰৱ গগৈৰ বৰ অসম শ্লোগানক তীব্ৰ কটাক্ষ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বজালীত গৌৰৱ গগৈৰ বৰ অসম শ্লোগান সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়- গৌৰৱ গগৈৰ নতুন বৰ অসমখনত আমাৰ ঐতিহ্য-সংস্কৃতিক বিসৰ্জন দিব খুজিছে। গৌৰৱ গগৈয়ে লাচিতৰ লগত বাঘ হাজৰিকা থাকিব লাগে বুলি কৈছে। কিন্তু বাঘ হাজৰিকা বুলি কোনো মানুহেই নাছিল। শংকৰদেৱৰ লগত মাধৱদেৱ যে থাকিব সেয়া বৰপেটাৰ ৰাইজে (দহ পৃষ্ঠাত চাওক)

# অভিনেতা, নৃত্য কৰিঅ’গ্ৰাফাৰ বিশ্বজিৎ বৈশ্যক “ব’হাগী সন্মান-২০২৬” প্ৰদান



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী কাহিলীপাৰাস্থিত জ্যেতিচিত্ৰবন ফিল্ম ষ্টুডিওত ২৩ মাৰ্চ ২০২৬ সোমবাৰে “ৰিডম ইভেন এণ্ড এন্টাৰটেইনমেন্ট প্ৰায়ভেট লিমিটেডে” বিভিন্ন প্ৰতিযোগিতাৰে আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত হাজো-শুৱালকুছি সমষ্টিৰ অন্তৰ্গত বংশৰৰ উদীয়মান অভিনেতা তথা নৃত্য কৰিঅ’গ্ৰাফাৰ বিশ্বজিৎ বৈশ্যক ব’হাগী সন্মান-২০২৬ প্ৰদান কৰে অনুষ্ঠানটোৰ পৰিচালক নিউটন হাজৰিকা আৰু পৰিচালিকা চয়ানিকা দেৱীয়ে। অনুষ্ঠানত বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি দৰ্শক ৰাইজক আপ্লুত কৰে। আৰু শেষত বঁটা বিতৰণী অনুষ্ঠানেৰে সামৰণি পৰে।

# আইপিএলৰ উদ্বোধনী অনুষ্ঠান বাতিলৰ সিদ্ধান্ত ব’ৰ্ডৰ



ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ডে শনিবাৰৰ পৰা আৰম্ভ হ’বলগীয়া আইপিএলৰ উদ্বোধনী অনুষ্ঠান বাতিল কৰিছে। বিগত বৰ্ষৰ ৪ জুনত ৰয়েলছ চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমবাৰৰ বাবে আইপিএলৰ খিতাপ জয়ৰ পিছত উদযাপিত বিজয় উৎসৱৰ সময়ত সৃষ্টি হোৱা হুলস্থূলীয়া পৰিৱেশত ১১জনকৈ লোকৰ মৃত্যু হৈছিল। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ডে উক্ত ঘটনাত মৃত্যু হোৱা লোকসকলৰ প্ৰতি সন্মান জনাই এইবাৰ আইপিএলৰ মুকলি অনুষ্ঠান বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে বিচিচিআই আৰু আইপিএল গৱৰ্নিং কাউঞ্চিলে ফাইনেলৰ দিনা অৰ্থাৎ ৩১ মে’ত এক বৰ্ণিল সামৰণী অনুষ্ঠান অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছে বুলি বিচিচিআইৰ সম্পাদক দেৱজিৎ শইকীয়াই কয়। ব’ৰ্ডৰ সম্পাদকগৰাকীয়ে কয় যে ৪ জুনত সংঘটিত হোৱা কৰুণ ঘটনাৰ বাবে আইপিএলৰ প্ৰথমদিনা কোনো অনুষ্ঠান নাথাকিব। এইবাৰ বিচিচিআইৰ উদ্যোগত উদ্বোধনীৰ দিনটোত কোনোধৰণৰ সাংস্কৃতিক বা মনোৰঞ্জনমূলক অনুষ্ঠানৰ আয়োজন কৰা নাই। দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে এই সিদ্ধান্তগ্ৰহণ কৰা হৈছে। অৱশ্যে ফাইনেলৰ দিনটোত এক বৃহৎ অনুষ্ঠানৰ পৰিকল্পনা কৰা হৈছে।

# ২০২৬-২৭ বৰ্ষৰ ঘৰুৱা ছিজনৰ সূচী ঘোষণা বিচিচিআইৰ



ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ডে বৃহস্পতিবাৰে টীম ইণ্ডিয়া (ছিনিয়ৰ পুৰুষ) দলৰ ২০২৬-২৭ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ ঘৰুৱা সূচী প্ৰকাশ কৰে । ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ড অৰ্থাৎ বি চি চি আইয়ে এক বিবৃতিৰ জৰিয়তে এই সূচী প্ৰকাশ কৰে । ঘৰুৱা ছিজনটোত টীম ইণ্ডিয়াই ৱেষ্ট ইণ্ডিজ, শ্ৰীলংকা, জিম্বাব্ৱে আৰু অষ্ট্ৰেলিয়াৰ বিপক্ষে বহুকেইটা ফৰমেটৰ খেলত অংশগ্ৰহণ কৰিব। দেশৰ ১৭খন চহৰত চচ্চখন আন্তঃৰাষ্ট্ৰীয় খেল অনুষ্ঠিত হ’ব। বিচিচিআয়ে এক বিবৃতিযোগে জনাই যে চলিত বৰ্ষৰ ২৭ ছেপ্টেম্বৰৰ পৰা ৱেষ্ট ইণ্ডিজৰ ভাৰত ভ্ৰমণৰ জৰিয়তে এই ছিজনটো আৰম্ভ হ’ব। ভাৰত ভ্ৰমণকালত কেৰিবিয়ান বাহিনীয়ে তিনিখন এদিনীয়া আৰু পাঁচখন টি-২০ মেচত ভাগ ল’ব। এদিনীয়া শৃংখলাটোৰ দ্বিতীয়খন মেচ ৩০ ছেপ্টেম্বৰত গুৱাহাটীৰ বৰ্ষাপাৰাৰ এচিএ ক্ৰিকেট ( নপৃষ্ঠাত চাওক)

# ছিংগাপুৰৰ ক'ৰোনাৰ্ছ আদালতৰ চূড়ান্ত ৰায় মতে পানীত পৰিহে মৃত্যু হৈছিল জুবিন গাৰ্গৰ



ৰঙিলী বাৰ্তাসেৱা- অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত ছিংগাপুৰৰ ক'ৰোনাৰ্ছ আদালতে প্ৰদান কৰি ৰায়দান । ছিংগাপুৰৰ ক'ৰোনাৰ্ছ আদালতৰ ৰায়দান অনুসৰি জুবিন গাৰ্গক হত্যা কৰা হোৱা নাছিল। হোৱা নাছিল কোনো ফাউল প্লে'। দুৰ্ঘটনাবশতঃ পানীত ডুবিহে মৃত্যু হৈছিল জুবিন গাৰ্গৰ। ক'ৰোনাৰ্ছ আদালতে জুবিন গাৰ্গৰ হত্যা বা সতীৰ্থই ইচ্ছাকৃতভাৱে উদ্ধাৰ নকৰাৰ অভিযোগ সন্দৰ্ভতো কোনো তথ্য-প্ৰমাণ পোৱা নাই। জুবিন গাৰ্গৰ মৃত্যুত কোনোধৰণৰ ফাউল প্লে' হোৱা নাই বুলি স্পষ্ট কৰি দিয়া তথ্যকো আদালতে সমৰ্থন কৰিছে। কেইবাটাও শুনানিৰ অন্তত বুধবাৰে ক'ৰোনাৰ্ছ আদালতে জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এই চূড়ান্ত ৰায় দিয়ে। আদালতত চিকিৎসকৰ প্ৰতিবেদনকে ধৰি সকলো তথ্যপাতি পৰ্যবেক্ষণ কৰি কোৱা হৈছে যে কোনেও জুবিন গাৰ্গক জোৰকৈ পানীত ঠেলি দিয়া নাছিল। পানীত থকাসকলেও জুবিন গাৰ্গক মৃত্যুৰ মুখলৈ ঠেলি দিয়া নাছিল। প্ৰতিবেদনত কোৱা হয় যে মৃত্যুৰ দিনা জুবিন গাৰ্গে অতিৰিক্ত মদ্যপান কৰিছিল। টক্সিক'লজীৰ প্ৰতিবেদন অনুসৰি জুবিনৰ তেজত এলকহলৰ পৰিমাণ প্ৰতি ১০০ মিলিমিটাৰত ৩৩৩ মিলিগ্ৰাম আছিল, যিটো ছিংগাপুৰৰ আইন অনুসৰি ৮০ মিলিগ্ৰামতকৈও বেছি আছিল। ঘটনাৰ দিনা জুবিন ( নপৃষ্ঠাত চাওক)

# বৰ্ষাসিক্ত পৰিৱেশতো মুখ্যমন্ত্ৰীৰ

সামৰি লোৱা হ'ব। অৰুণোদয়ত নতুনকৈ অন্তৰ্ভুক্ত হোৱা সকলো মহিলাই একত্ৰিতভাৱে ৯ হাজাৰ টকাকৈও লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰেচন কাৰ্ডৰ জৰিয়তে পৰিয়ালসমূহে বৰ্তমানে লাভ কৰি অহা বিনামূলীয়া চাউল, ১০০ টকাত দাইল, চেনি আৰু নিমখৰ লগতে অহা সময়ছোৱাত ১ লিটাৰকৈ মিঠাতেলো প্ৰদান কৰা হ'ব। পিতৃ-মাতৃয়ে যাতে সন্তানৰ পঢ়াৰ ব্যয় বহনত অসুবিধাৰ সম্মুখীন হ'বলগীয়া নহয়, সেই দিশলৈ লক্ষ্য ৰাখি অহা ৫ বছৰত সকলো ছাত্ৰ-ছাত্ৰীৰ পঢ়াশুনাৰ দায়িত্ব ল'ব চৰকাৰে। তদুপৰি আগন্তুক ৫ বছৰত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত বিজনী সমষ্টিত ১০ হাজাৰ যুৱক-যুৱতীক উপকৃত কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে বিজনীত এখন বাণিজ্য মহাবিদ্যালয় স্থাপন, বিজনী চহৰত ।নলা-নৰ্দমা নিৰ্মাণ, ১ হাজাৰ আসনবিশিষ্ট এটা প্ৰেক্ষাগৃহ, বল্লমগুৰিত ষ্টেডিয়াম নিৰ্মাণ, আংলং-কুকলুং-বিষ্ণুপুৰ-বৰপথাৰ গাঁৱত পানীৰ সমস্যা সমাধানৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে। বিজনীৰ পাছতে মুখ্যমন্ত্ৰীয়ে তামুলপুৰ বিধানসভা সমষ্টিত অনুষ্ঠিত আন এক বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰীৰ সমৰ্থনত পাতকীজুলি ষ্টেডিয়ামত আয়োজিত জনাকীৰ্ণ সভাখনত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-সমাগত বিধানসভা নিৰ্বাচনৰ জৰিয়তে ৰাজ্যত কিধৰণৰ চৰকাৰ গঠন হ'ব, তাৰ ওপৰতেই তামুলপুৰ উন্নয়নৰ লগতে - সামগ্ৰিকভাৱে ৰাজ্যৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব। বিগত ৫ বছৰত বিটিচিত শান্তি চুক্তিৰ এক নতুন পৰিৱেশ বিৰাজ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টা আৰু জনসাধাৰণৰ সহযোগত এতিয়া বিটিচিত শান্তিৰ পৰিৱেশ গঢ়ি উঠিছে। হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বিটিচি অঞ্চলত উন্নয়ন আৰু বিকাশৰ কাম আৰম্ভ হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অঞ্চলটোৰ সকলো জাতি-জনগোষ্ঠীৰ মাজত এতিয়া সম্ভাৱ গঢ়ি উঠিছে। বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে বিগত ৫ বছৰত সম্পূৰ্ণ স্বচ্ছতাৰে ১ লাখ ৬৫ হাজাৰ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি দিয়াৰ পাছত ৰাজ্যখনত নৱপ্ৰজন্মৰ মাজত এক উৎসাহৰ সৃষ্টি কৰিছে। আগন্তুক সময়ছোৱাত শিক্ষা, গৃহ বিভাগকে ধৰি বিভিন্ন বিভাগত নিযুক্তি প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। পূৰ্বতে এনেদৰে কোনো চৰকাৰৰ কাৰ্যকালত এনে বৃহৎসংখ্যক নিযুক্তি সম্ভৱ হোৱা নাছিল। মুখ্যমন্ত্ৰীয়ে কয়- আমি প্ৰতিশ্ৰুতি পূৰণ কৰি দেখুৱাইছোঁ। আমাক মাথোঁ প্ৰয়োজন আপোনালোকৰ আশীৰ্বাদ। সমষ্টিটোত নতুনকৈ ১০ হাজাৰ মহিলাক মহিলা উদ্যমিতা আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আত্মনিৰ্ভৰ অসমৰ অভিযানৰ অধীনতো তামুলপুৰৰ ১০ হাজাৰ যুৱক-যুৱতীক উপকৃত কৰা হ'ব। তামুলপুৰৰ পাছতেই ছিপাঝাৰ বিধানসভা সমষ্টিত উপস্থিত হৈ মিত্ৰজোঁটৰ প্ৰাৰ্থী ড° পৰমানন্দ ৰাজবংশীৰ সমৰ্থনত দেওমৰনৈ মহাবিদ্যালয় খেলপথাৰত আয়োজিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে। প্ৰবল বৰষুণৰ পিছতো কেইবা সহস্ৰাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত এই সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ জৰিয়তে মই অসমৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব লাভ কৰিছিলোঁ। আজি মই অতি আনন্দিত -যে অসমৰ ৰাইজক প্ৰদান কৰা প্ৰতিটো প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সক্ষম হৈছোঁ। আমি জাতি-মাটি-ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিলোঁ। যোৱা ৫ বছৰত আমি গৰুখুঁটিৰ পৰা গোৱালপাৰালৈ আৰু লামডিঙৰ পৰা উৰিয়ামঘাটলৈ প্ৰায় ডেৰ লাখ বিঘা মাটিৰ পৰা বেদখলকাৰীক উচ্ছেদ কৰিবলৈ সক্ষম হৈছোঁ। আমি বুজাই দিছো যে অসম অসমীয়াৰ বাবে, ভাৰত ভাৰতীয়ৰ বাবে। অসমৰ খিলঞ্জীয়া মুছলমানকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণৰ আশীৰ্বাদত আমি ৰাজ্যখনৰ জনজীৱনলৈ আস্থা আৰু বিশ্বাসৰ এক নতুন পৰিৱেশ সৃষ্টি কৰিছোঁ। অহা ৫ বছৰত আমি অসমত এজনো অবৈধ বাংলাদেশী থাকিব নোৱাৰাৰ পৰিৱেশ সৃষ্টি কৰিম। ভাষণত মুখ্যমন্ত্ৰীয়ে বিজেপি নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালত কাজিৰঙা, ওৰাং, পবিতৰাত গঁড় হত্যা ৰোধ, নিৰাপত্তাহীনতাত ভোগা লোকসকলৰ ওচৰত থিয় দিবলৈ সক্ষম হৈছোঁ। এই সময়ছোৱাতে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিছে, বীৰ লাচিত বৰফুকনৰ কীৰ্তি বিশ্বৰ বিভিন্ন প্ৰান্তত পৰিচিত হৈ পৰিছে, চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা লাভ কৰিছে আৰু বিহুৱে ৰাষ্ট্ৰীয় পৰ্যায়ত উথলি উঠিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয়- যোৱা ৫টা বছৰ আছিল অসম আৰু অসমীয়াৰ এক উজ্জ্বল গৌৰৱৰ গাথা। ৰাজ্যখনত বন্ধ, ধৰ্মঘট, আন্দোলন এতিয়া অতীত হৈ পৰিছে আৰু শান্তিৰ কপৌজনীয়ে স্থায়ীভাৱে থাকিবলৈ লৈছে। আমি ৰাজ্যখনৰ নৱপ্ৰজন্মৰ মাজত আশাৰ সঞ্চাৰ গঢ়িবলৈ সক্ষম হৈছোঁ। কংগ্ৰেছক সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয়- কংগ্ৰেছ দল শাসনত থকা সময়ত জনসাধাৰণে লুভী আৰু ধূতীৰ কথাই আলোচনা কৰিছিল। কিন্তু এতিয়া জনসাধাৰণে অৰুণোদয়, মহিলা উদ্যমিতাৰ দৰে আঁচনি, নতুন নতুন চিকিৎসা মহাবিদ্যালয়, বিশ্ববিদ্যালয় স্থাপন তথা ব্ৰহ্মপুত্ৰৰ ওপৰত নতুন দলং নিৰ্মাণৰ কথাহে আলোচনা কৰে। কংগ্ৰেছৰ নতুন বৰঅসম নিৰ্মাণৰ শ্ল'গানক কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয়- বৰঅসম স্বৰ্গদেউ চাওলুং চুকাফা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নিৰ্মাণ কৰিছিল। কংগ্ৰেছ দলে নতুন বৰঅসম শ্ল'গানটো কাক লক্ষ্য কৰি ব্যৱহাৰ কৰিছে? মুখ্যমন্ত্ৰীয়ে ছিপাঝাৰ সমষ্টিত নতুনকৈ ১০ হাজাৰ মহিলাক অৰুণোদয় আঁচনিৰ দ্বাৰা সামৰি লোৱা হ'ব বুলিও আজি প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই নিৰ্বাচনী সভাত সংগ দিয়ে বিটিচিপ্ৰধান হাগ্ৰামা মহিলাৰী, কেন্দ্ৰীয় মন্ত্ৰী তোখন চাহু, প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰীকে ধৰি কেইবাজনো বিজেপিৰ জ্যেষ্ঠ নেতাই।

# ছিংগাপুৰৰ ক'ৰোনাৰ্ছ আদালতৰ ৰায়দানক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত ছিংগাপুৰৰ ক'ৰোনাৰ্ছ ক'ৰ্টে প্ৰদান কৰা ৰায়দানক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ছিংগাপুৰৰ ক'ৰোনাৰ্ছ ক'ৰ্টে প্ৰদান কৰা ৰায়দান প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ছিংগাপুৰ আদালতৰ ৰায় আৰু চৰকাৰে দাখিল কৰা অভিযোগনামাৰ মাজত পাৰ্থক্য নাই। অসম চৰকাৰেও উল্লেখ কৰিছে যে জুবিন গাৰ্গে মদ্যপান কৰিছিল। কিন্তু তেওঁক সুৰা খুৱাই দিয়া হৈছিল। গতিকে মই ভাবোঁ যে ছিংগাপুৰৰ ৰায়দানে অসমত চলি থকা গোচৰটো শক্তিশালীহে কৰিব। কাৰণ ছিংগাপুৰ ক'ৰ্টে উল্লেখ কৰিছে যে ৩৮০ এমএল এলকহল জুবিনৰ শৰীৰত পোৱা গৈছে। আমাৰ অভিযোগনামাতো এই কথা উল্লেখ আছে। ছিংগাপুৰত সংঘটিত দুৰ্ঘটনাৰ ( নপৃষ্ঠাত চাওক)

# গুৱাহাটীত বিশাল ৰোড

কৰিছে। বিকাশ আৰু উন্নয়নে এইবাৰ বিজেপিৰ বিজয়ৰ পথ মুকলি কৰিব। তেওঁ কয়- প্ৰতিটো নিৰ্বাচনী সভাত আৰু ৰেলীত বিশাল জনসমৰ্থনে স্পষ্ট কৰিছে যে এনডিএই এইবাৰ ৯০খনতকৈ অধিক আসন লাভ কৰিব। পুনৰবাৰ বিজেপিৰ নেতৃত্বত অসমত এনডিএ চৰকাৰ হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ভূয়সী প্ৰশংসা কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়-মুখ্যমন্ত্ৰীগৰাকীৰ নেতৃত্বত অসমৰ আন্তঃগাঁথনি শক্তিশালী হোৱাই নহয়, ৰাজ্যখনে এতিয়া উন্নয়ন আৰু বিকাশৰ দিশত আগবাঢ়িছে। যোৱা সময়ছোৱাত অসমত ব্যাপক পৰিৱৰ্তন হৈছে। ৰাজ্যখনত এতিয়া উগ্ৰবাদ সম্পূৰ্ণৰূপে নোহোৱা হৈছে। ১০, ৯৭০জন উগ্ৰপন্থীয়ে অস্ত্ৰ সমৰ্পণ কৰি মূলসুঁতিলৈ উভতি আহিছে। আজি অসমত আতংক নাই, উগ্ৰবাদ নাই, আইন-শৃংখলা পৰিস্থিতি বহু উন্নত। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বত ৰাজ্যখনত বিশ্ব মানৰ আন্তঃগাঁথনি হৈছে। ৰাজ্যখনত এতিয়া স্বাস্থ্যখণ্ডৰ আন্তঃগাঁথনিৰ ব্যাপক প্ৰসাৰ হৈছে। সমান্তৰালভাৱে অসম সমগ্ৰ নৰ্থ-ইষ্টৰে স্বাস্থ্য আৰু শিক্ষাৰ এক হাবত পৰিণত হৈছে। ৰাজ্যখনত এতিয়া প্ৰচুৰ পৰিমাণৰ নিয়োগৰ সুবিধা আহি পৰিছে। তদুপৰি ছেমিকণ্ডাক্টৰৰ দৰে প্ৰকল্প স্থাপনে অসমখনৰ ছবি সম্পূৰ্ণৰূপে সলনি কৰি দিছে। কাৰ্যতঃ উন্নত আন্তঃগাঁথনি আৰু প্ৰগতিৰ হাবত পৰিণত হৈছে অসম। ইয়াৰ বাবেই অসমৰ ৰাইজে বিজেপিৰ নেতৃত্বত এনডিএ চৰকাৰ গঠনৰ বাবে উৎসুকতাৰে বাট চাই ৰৈছে। উল্লেখ্য যে কাইলৈ অমিত শ্বাহে টিহু আৰু ঢেকীয়াজুলি সমষ্টিত দুখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। বিশাল শোভাযাত্ৰাত গুৱাহাটীৰ ভোটাৰ ৰাইজে গৃহমন্ত্ৰীগৰাকীক উষ্ম আদৰণি জনোৱা পৰিলক্ষিত হ'ল। ৰোড শ্ব'ৰ পূৰ্বে গৃহমন্ত্ৰীগৰাকীক বিভিন্ন জাতি-জনগোষ্ঠীয় নৃত্য-গীতেৰে সম্বৰ্ধনা জনালে সমৰ্থকসকলে। এই যাত্ৰাত তেওঁক সংগ দিয়ে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। উল্লেখ্য যে ৰোড শ্ব'ৰ পিছতেই গৃহমন্ত্ৰী অমিত শ্বাহে বাজপেয়ী ভৱনত দলীয় কাৰ্যকৰ্তাৰ সৈতে এক গুৰুত্বপূৰ্ণ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। পূৰ্বৰে পৰাই বাজপেয়ী ভৱনত অপেক্ষা কৰি থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে দলৰ জ্যেষ্ঠ নেতা বৈজয়ন্ত জয় পাণ্ডাকে ধৰি আন আন নেতাসকলে শ্বাহক গামোচাৰে আদৰণী জনায়। ইয়াৰ পাছতেই ৰাজ্যিক বিজেপিৰ শীৰ্ষ নেতাসকলৰ উপস্থিতিত আয়োজিত বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী শ্বাহে নিৰ্বাচনৰ সকলো খা-খবৰ লয়। উল্লেখযোগ্য যে নিশাটো কইনাধৰাত থকা ৰাজ্যিক অতিথিশালাত কটোৱাৰ পাছত কেন্দ্ৰীয় গৃহ মন্ত্ৰী শ্বাহে আজি ঢেকীয়াজুলি আৰু নলবাৰীৰ চামতাত আনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

# পুনৰ্জন্মৰ পাথেয়



ময়ূৰী বৰগোহাঞি,শিৱসাগৰ

মৃত্যু - এই দুটি অক্ষৰৰ মাজত লুকাই আছে সমগ্ৰ মানৱ সভ্যতাৰ সবাতোকৈ গভীৰ আৰু সবাতোকৈ অমীমাংসিত দাৰ্শনিক সংকট। জন্মৰ পৰা মৃত্যুলৈকে মানুহে যি যাত্ৰা কৰে, সেই যাত্ৰাৰ পথত সংগ্ৰহ হোৱা অভিজ্ঞতা, বেদনা, আনন্দ, জ্ঞান আৰু প্ৰেমৰ সমষ্টিয়েই কি তেওঁৰ সত্তাৰ সম্পূৰ্ণ পৰিচয়? নে ইয়াৰ বাহিৰেও এক অনন্তকালীন প্ৰবাহ আছে, যি প্ৰবাহ কোনো শৰীৰৰ সীমাত আবদ্ধ নহয়, কোনো কালৰ পৰিসীমাত পৰিসমাপ্ত নহয়? এই প্ৰশ্নটোৱেই পুনৰ্জন্মৰ দৰ্শনৰ মূলাধাৰ আৰু এই প্ৰশ্নটোৰ মুখামুখি হ'বলৈ সাহস কৰা মানুহেই প্ৰকৃত দাৰ্শনিক।

পুনৰ্জন্মৰ ধাৰণাটো কেৱল ভাৰতীয় উপমহাদেশৰ আধ্যাত্মিক পৰম্পৰাত সীমাবদ্ধ নহয়। গ্ৰীক দাৰ্শনিক পাইথাগোৰাছে বিশ্বাস কৰিছিল যে আত্মা এক দেহৰ পৰা আন এক দেহলৈ স্থানান্তৰিত হয়। প্লেটোৰ "ফাইডন"-ত ছক্ৰেটিছে মৃত্যুৰ প্ৰাক্কালত আত্মাৰ অমৰত্বৰ দাৰ্শনিক প্ৰমাণ উপস্থাপন কৰিছিল অদ্ভুত নিষ্ঠা আৰু প্ৰশান্তিৰে। মিছৰৰ প্ৰাচীন সভ্যতাত "কা" আৰু "বা"-ৰ ধাৰণা, কেলটিক পৰম্পৰাত আত্মাৰ পুনৰাগমনৰ বিশ্বাস, কিংবা আধুনিক পাশ্চাত্য দাৰ্শনিকসকলৰ মাজতো পুনৰ্জন্মৰ সম্ভাৱনাক সম্পূৰ্ণৰূপে নাকচ কৰিব নোৱাৰা এক মানসিক দ্বন্দ্ব বিদ্যমান। ইয়াৰ অৰ্থ এটাই যে মানৱ মন আদিকালৰ পৰাই এই সত্যটো অনুভৱ কৰি আহিছে যে তাৰ অস্তিত্ব এই এটি জনমৰ সীমাত সংকুচিত নহয়।

কিন্তু এই প্ৰবন্ধৰ উদ্দেশ্য পুনৰ্জন্মৰ অস্তিত্ব প্ৰমাণ বা অপ্ৰমাণ কৰা নহয়। এই প্ৰবন্ধৰ মূল জিজ্ঞাসা হ'ল যে যদি সত্য অৰ্থত আগলৈ আৰু এটি জনম আছে, তেন্তে এই জনমত আমি কি কি সংগ্ৰহ কৰি থৈ যাব লাগিব? এই প্ৰশ্নটো কেৱল আধ্যাত্মিক নহয়, ই একেসময়তে দাৰ্শনিক, নৈতিক, সাংস্কৃতিক আৰু অস্তিত্ববাদীও।

উপনিষদীয় ঋষি সকলে ঘোষণা কৰিছিল "তমসো মা জ্যোতিৰ্গময়" অৰ্থাৎ অন্ধকাৰৰ পৰা আমাক আলোকলৈ লৈ যোৱা। এই আলোক কোনো বাহ্যিক উৎসৰ পৰা আহে নে আভ্যন্তৰীণ চেতনাৰ পৰিশোধনৰ মাধ্যমেৰে উদ্ভূত হয় - এই প্ৰশ্নটো চিৰকাল প্ৰাসংগিক। জ্ঞান! প্ৰকৃত জ্ঞান কেৱল তথ্যৰ সংকলন নহয়। ই হ'ল অস্তিত্বৰ গভীৰত প্ৰৱেশ কৰিব পৰা এক বিশেষ দৃষ্টিভংগি, এক বিশেষ সংবেদনশীলতা।

এই জনমত আমি পুথিপত্ৰৰ মাজত, জীৱনৰ অভিজ্ঞতাৰ মাজত, প্ৰকৃতিৰ নিৰন্তৰ পৰিৱৰ্তনৰ মাজত যিখিনি জ্ঞান আহৰণ কৰিলোঁ, সেই জ্ঞান কি কেৱল এই দেহটোৰ সৈতেই বিনষ্ট হ'ব? ইয়াৰ উত্তৰত ভাৰতীয় দাৰ্শনিক পৰম্পৰাই কয় যে-নহয়। আত্মাই তাৰ সংস্কাৰ বহন কৰে। সংস্কাৰ মানে কেৱল ধাৰ্মিক অনুষ্ঠান নহয়, সংস্কাৰ মানে হ'ল আত্মাৰ গভীৰত খোদিত চিন্তাৰ ছাপ, অভিজ্ঞতাৰ সঞ্চয়, বিকশিত চেতনাৰ স্তৰ।

গতিকে প্ৰথম পাথেয় হ'ল- জ্ঞানৰ প্ৰতি এক অদম্য আকাংক্ষা পোষণ কৰা। কিন্তু কি ধৰণৰ জ্ঞান? ইয়াত মই শুধু একাডেমিক জ্ঞানৰ কথা কোৱা নাই, যদিওবা তাৰ গুৰুত্ব অপৰিসীম। মানৱ হৃদয়ৰ গভীৰত লুকাই থকা সৌন্দৰ্যবোধৰ জ্ঞান, বিশ্বব্ৰহ্মাণ্ডৰ অসীমতাৰ সন্মুখত নিজৰ ক্ষুদ্ৰতাক স্বীকাৰ কৰিব পৰা বিনম্ৰতাৰ জ্ঞান, আৰু সৰ্বোপৰি নিজকে চিনিব পৰাৰ জ্ঞান। চক্ৰেটিছৰ সেই বিখ্যাত উক্তি "Know thyself" আজিও সমানেই প্ৰাসংগিক, সমানেই গভীৰ।

শেক্সপিয়েৰৰ নাটকত মানৱ চৰিত্ৰৰ যি বহুমাত্ৰিক উন্মোচন, দস্তয়েভস্কিৰ উপন্যাসত আত্মাৰ যি অন্ধকাৰ কোণবোৰৰ সন্ধান, ৰবীন্দ্ৰনাথৰ গীতত যি অনন্ত আকাশৰ সৈতে সংযোগৰ অনুভৱ, কিংবা কালিদাসৰ কাব্যত যি প্ৰকৃতি আৰু মানৱ সত্তাৰ অপূৰ্ব মিলন - এইবোৰ কেৱল সাহিত্যিক কৃতি নহয়, এইবোৰ হ'ল মানৱ সভ্যতাৰ আত্মাৰ দলিল। এই দলিলসমূহ পঢ়া, বুজা, অনুভৱ কৰাই হ'ল পৰৱৰ্তী জনমৰ বাবে আত্মাক সমৃদ্ধ কৰাৰ এক অপৰিহাৰ্য পদ্ধতি।

প্ৰেম - এই শব্দটো বহু অৰ্থত ব্যৱহাৰ হয়, বহু সময়ত অৱমাননাও হয়। কিন্তু প্ৰকৃত প্ৰেম, যি প্ৰেম নিঃস্বাৰ্থ, যি প্ৰেমে প্ৰতিদানৰ প্ৰত্যাশা নকৰে, যি প্ৰেম আনৰ বেদনাত নিজে বিগলিত হয়, সেই প্ৰেম হ'ল মানৱ অস্তিত্বৰ সৰ্বোচ্চ প্ৰকাশ।

ভক্তি আন্দোলনৰ কবিসকল মীৰাবাই, কবীৰ, তুকাৰাম আদি মনীষীসকলে প্ৰেমক কেৱল মানৱিক সম্পৰ্কৰ মাজত আবদ্ধ ৰাখিব বিচৰা নাছিল। তেওঁলোকে প্ৰেমক এক মহাজাগতিক শক্তি হিচাপে দেখিছিল। এক এনে শক্তি যি আত্মাক পৰমাত্মাৰ সৈতে সংযুক্ত কৰে। মীৰাবাইৰ প্ৰেম কেৱল কৃষ্ণৰ প্ৰতি ব্যক্তিগত আবেগ নাছিল, সেয়া আছিল অনন্ত সত্তাৰ প্ৰতি এক চিৰন্তন আকৰ্ষণৰ কাব্যিক অভিব্যক্তি।

এই জনমত যিসকলক ভালপালোঁ মাতৃ-পিতৃৰ নিঃস্বাৰ্থ স্নেহৰ মাজত, বন্ধুৰ নিৰ্ভৰযোগ্য উপস্থিতিৰ মাজত, প্ৰেমিকৰ অস্তিত্বক সম্পূৰ্ণৰূপে গ্ৰহণ কৰাৰ মাজত যিখিনি প্ৰেম অনুভৱ কৰিলোঁ, সেই প্ৰেম কি মৃত্যুৰ লগে লগে বিলীন হয়? ইয়াৰ উত্তৰত ভাৰতীয় পৰম্পৰাই কয় যে-নহয়। প্ৰেমৰ সংস্কাৰ আত্মাৰ গভীৰত অংকিত হৈ থাকে। গতিকে আগলৈ যদি আৰু এটি জনম আছে, তেন্তে এই জনমৰ প্ৰেম, এই জনমৰ মায়া-মমতা সেয়াই হ'ব পৰৱৰ্তী জনমৰ হৃদয়ৰ উৰ্বৰ মাটি।

কিন্তু এই প্ৰসংগত এটি গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন হয় - প্ৰেম আৰু আসক্তিৰ মাজত পাৰ্থক্য কি? বৌদ্ধ দৰ্শনে কয় যে আসক্তিয়েই দুঃখৰ মূল। কিন্তু প্ৰেম আৰু আসক্তি সমাৰ্থক নহয়। প্ৰকৃত প্ৰেমে বন্ধন নৰচে, বৰঞ্চ মুক্ত কৰে। যি প্ৰেমে আনক স্বাধীনতা দিয়ে, আনৰ বিকাশত আনন্দিত হয়, আনৰ অনুপস্থিতিতো প্ৰসন্নতা অনুভৱ কৰে সেই প্ৰেমহে পৰৱৰ্তী জনমৰ পাথেয় হোৱাৰ যোগ্য।

"কৰ্মযোগী" - এই শব্দটো গীতাৰ। কৃষ্ণই অৰ্জুনক কৈছিল "ফলৰ আশা নকৰি কৰ্ম কৰি যোৱাই হ'ল যোগীৰ পথ"। এই উপদেশটো শুনিবলৈ সহজ, কিন্তু জীৱনত প্ৰয়োগ কৰিবলৈ অত্যন্ত কঠিন। কাৰণ মানৱ মন স্বাভাৱিকতেই ফলমুখী। আমি কাম কৰোঁ কিছু পাবলৈ। সেয়া হ'ব পাৰে স্বীকৃতি, পুৰস্কাৰ, সন্মান নতুবা ভালপোৱা।

কিন্তু "কৰ্মযোগী"ৰ গভীৰতম অৰ্থ হ'ল এই যে - প্ৰতিটো সৎ কৰ্ম, প্ৰতিটো ন্যায়সংগত প্ৰয়াস, প্ৰতিটো নিঃস্বাৰ্থ সেৱা আত্মাৰ বিৱৰ্তনত অপৰিসীম ভূমিকা পালন কৰে। এই বিৱৰ্তন কেৱল এটি জনমৰ মাজত সম্পন্ন নহয়, বৰঞ্চ ই এক বহু জনমব্যাপী প্ৰক্ৰিয়া। গতিকে এই জনমত আমি যি নৈতিক ভিত্তি নিৰ্মাণ কৰিলোঁ, যি ন্যায়বোধ আৰু সততাৰ চৰ্চা কৰিলোঁ সেয়াই হ'ব পৰৱৰ্তী জনমৰ চৰিত্ৰৰ আধাৰশিলা।

ইমানুয়েল কাণ্টৰ নৈতিক দৰ্শনত "Categorical Imperative"-ৰ ধাৰণাটো অতি প্ৰাসংগিক - এনেকৈ কাৰ্য কৰা যাতে তোমাৰ কাৰ্যনীতি এক সাৰ্বজনীন নিয়মত পৰিণত হ'ব পাৰে। এই দৃষ্টিভংগিটো আৰু ভাৰতীয় কৰ্মদৰ্শনটো এক বিন্দুত মিলিত হয় - নৈতিক কাৰ্যৰ এক বিশ্বজনীন মূল্য আছে, আৰু সেই মূল্য কেৱল সামাজিক নহয়, আধ্যাত্মিকও।

এই জনমত অন্যায়ৰ বিৰুদ্ধে মাত মতাটো, সত্যৰ পক্ষত থিয় হোৱাটো, দুৰ্বলৰ পক্ষত থকাটো - এইবোৰ কাৰ্য কেৱল সমাজৰ বাবে নহয়, আত্মাৰ নিজৰ বিকাশৰ বাবেও অপৰিহাৰ্য। যি আত্মাই এই জনমত ন্যায়ৰ পথত চলিলে, পৰৱৰ্তী জনমত সেই আত্মা অধিক পৰিশুদ্ধ চেতনা লৈ অৱতীৰ্ণ হ'ব - এই বিশ্বাস হয়তো প্ৰমাণসিদ্ধ নহয়, কিন্তু এই বিশ্বাসেই মানুহক সৎ হৈ থাকিবলৈ এক গভীৰ প্ৰেৰণা দিয়ে।

"আত্মানং বিদ্ধি" অৰ্থাৎ নিজকে জনা। এই উপনিষদীয় আদেশটো শুনিবলৈ সহজ, কিন্তু ইয়াৰ গভীৰতা অসীম। আমি জীৱনৰ অধিকাংশ সময় বাহ্যিক জগতখনক বুজিবলৈ, বাহ্যিক বস্তুসমূহ আহৰণ কৰিবলৈ ব্যয় কৰোঁ। কিন্তু নিজৰ আভ্যন্তৰীণ জগতখনৰ প্ৰতি আমাৰ দৃষ্টি কিমান?

আগলৈ...

# বজাৰ



প্ৰভাত বণিয়া

বজাৰ বাৰ শনিবাৰ দেওবাৰ
খাদ্য সামগ্ৰীৰ উভৈনদী
মানুহৰ ভিৰ নানা তৰহৰ বস্তু বাহিনী
গ্ৰাহক দোকানীৰ উৎফুল্লিত হাঁহি
মন পছন্দৰ কাপোৰ-কানি, চাউল, দাইল, তৰি-তৰকাৰী,
মাছ-মাংস আৰু লাগতিয়াল সামগ্ৰী লও মোনা ভৰাই
বজাৰলৈ আহিলেই দৰকাৰ
হাতত মোনা পকেটত পইছা
থলুৱা শাক চবজী বিচাৰি হাহকাৰ
চালানি হাইব্ৰিদ পাচলিৰে থাকে গোটেই বজাৰ ভৰি
বজাৰ আৰু পথাৰ,
নোহোৱা হৈছে ক্ৰমে থলুৱাৰ অধিকাৰ
বহিৰাগত বেপাৰীয়ে গোজে গছ হৈ বহিছে
তথাপি বজাৰ বাৰ শনিবাৰ দেওবাৰ
কিবা এটা ভাল লগা দিন
মন মুকলি হয়
বন্ধু বান্ধৱ লগ পাওঁ
দুখ ভাগৰ পাহৰো, কথা পাতো
মনৰ বতৰা লও
সেয়ে
ইমান আপোন আমাৰ সাপ্তাহিক হাট-বজাৰ।

# বিশ্ববাসীৰ সন্মুখত অসমক জিলিকাই তোলা জুবিন গাৰ্গ– এক সুকীয়া সত্ত্বা

**মানসী মিশ্ৰ**



আমি সকলোৱে স্বাভাৱিক হ'বলৈ যত্ন কৰিছোঁ কিন্তু নিজকে স্বাভাৱিক কৰি তুলিব পৰা নাই নিজকে ভিন্ন ব্যস্ততাৰ মাজত জড়িত কৰি ৰাখিবলৈ বহু চেষ্টা কৰিছোঁ কিন্তু সকলোফালে অনুভৱ কৰিছোঁ মাথো শূণ্যতা। শৰৎ আহিলে এখন শুভ্ৰ, শুকুলা আকাশ লৈ। শেৱালিয়ে চৌপাশে সুগন্ধি সানিলে। কিন্তু এই সকলোৱে মাজতেও দেখোন একেবাৰে ভাল লগা নাই। কিমান টা উৎসৱ পাৰ্বণ পাৰ হৈ গ'ল। শাৰদীয় দুৰ্গোৎসৱৰ পৰা শৰততে উদযাপন হোৱা দীপান্বিতালৈকে। প্ৰতিটো বৰ্ষতে এই উৎসৱ সমূহ আহিলে মনবোৰ উলাহে নধৰা হয়। উৎসৱ বুলি নিজৰো কিমান যে পৰিকল্পনা থাকে। কিন্তু এইবাৰে যে সম্পূৰ্ণ এক ব্যতিক্ৰমী পৰিৱেশ। ৰজ্ঝ চেপ্তেম্বৰৰ পৰা আজিৰ দিনটো পৰঞ্জয্যন্ত মনবোৰে এক প্ৰকাৰ কিবা শূণ্যতা আৰু নিৰ্জনতাৰ মাজত বিচৰণ কৰি ফুৰিছে। আমাৰ আদৰৰ জুবিনদাৰ এই আকস্মিক আৰু দুৰ্ভাগ্যজনক মৃত্যুৱে আমাক কৰবাত শূণ্য কৰি থৈ গ'ল। সেই কথা এতিয়া প্ৰায় সকলোৱে উপলব্ধি কৰিব পাৰিছে। ৰজ্ঝ চেপ্তেম্বৰ, শুকুৰবাৰৰ সেই দুপৰীয়াটোত খবৰটো সত্য বুলি শুনাৰ পিছত যেন নিজে নিজেই স্তব্ধ হৈ পৰিছিল সকলোৱে মাত কথাবোৰ। সকলোৱে যত আছে সেই ঠাইতে নিশ্চুপ হৈ বহি ৰৈছিল। কাৰো মুখত যেন প্ৰকাশ কৰিবলৈও একো ভাষা নাছিল। কেৱল মাত্ৰ মানুহবোৰে নিজৰ নিজৰ মবাইলত "মায়াবিনী ৰাতিৰ বুকুত" গীতটি বজাইছিল আৰু সেই গীতৰ সুৰে সুৰে গীতটো গাবলৈ লৈছিল। মানুহৰ চকুবোৰ চকু পানীৰে উপচি পৰিছিল। মূহুৰ্তৰ ভিতৰে ৰাজ্যৰ প্ৰতিটো চুকে কোণে লগতে ভাৰতৰ অন্যান্য ৰাজ্যত থকা অসমীয়া লোক সকলেও মায়াবিনী ৰাতিৰ বুকুত এই গীতটি গাবলৈ লৈছিল। এটা দিনৰ ভিতৰতে গীতটো প্ৰাৰ্থনালৈ পৰিৱৰ্ত্তিত হৈছিল। কোনো মানুহে ঘৰৰ ভিতৰত সোমাই থাকিব পৰা নাছিল। প্ৰাণৰ শিল্পী গৰাকীক বিচাৰি সকলোৱে ৰাজপথলৈ ওলাই আহিছিল। এটি নিশাৰ ভিতৰতে হাজাৰ হাজাৰ লোক কাহিলীপাৰাৰ গৃহৰ সমুখত সমবেত হৈছিল। সকলোৱে মুখত আছিল 'জয় জুবিন দা' ধ্বনি আৰু মায়াবিনী ৰাতিৰ বুকুত সেই গীতটি। প্ৰতিখন সৰু বৰ ব্যৱসায়িক প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান তথা চৰকাৰী বেচৰকাৰী সকলো কাৰঞ্জ্যালয়তে স্মৃতিসভা তথাঞ্জ দ্ধাঞ্জ লি অনুষ্ঠানৰ আয়োজন কৰিছিল। মানুহে হুকহুকাই কান্দি কান্দি এই সভাসমূহতঞ্জ দ্ধা তৰ্পণ কৰিছিল। তেখেতৰ মৃতদেহ চিংগাপুৰৰ পৰা বিশেষভাৱে লৈ আনি সৰুসজাই ষ্টেডিয়ামত দুটা দিন ৰখাৰ পিছত তাত লক্ষ লক্ষ জনতাৰ হিয়াভগা কান্দোনৰ মাজত কেনে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছিল সেই কথা নিশ্চয় কোনেও পাহৰিব পৰা নাই। অসমীয়াৰ হিয়াৰ আমঠু, হৃদয়ৰ স্পন্দন জুবিন দাক এবাৰ শেষ দেখা দিবলৈ তাত কি পৰিৱেশ হৈছিল সেয়া আমাৰ সকলোৱেজ্ঞ াত। বহু ব্যৱসায়িক যান বাহন জুবিন দাৰ মৃত্যুৰ লগে লগে স্বতঃস্ফুৰ্তভাৱে বন্ধ হৈ গৈছিল চাৰি পাঁচদিনলৈ। সেইবাবে জুবিনদাৰ হেজাৰ হেজাৰ অনুৰাগীয়ে কেইবাঘণ্টাও খোজকাঢ়িয়েই জুবিন দাক শেষঞ্জ দ্ধা জনাবলৈ সৰুসজাইলৈ আহিছিল। বহুতেই খোজকাঢ়িয়েই সোণাপুৰৰ শেষকৃত্য স্থলীলৈয়ো আহিছিল। বহু মানুহৰ ঘৰত দুই তিনিদিনলৈকে চৌকাজ্ব লা নাছিল। ভাত-পানী খাবলৈ মানুহে পাহৰি গৈছিল। তথাপিও মানুহবোৰে ভোক অনুভৱ কৰা নাছিল। মানুহবোৰ ক্লান্ত হৈ পৰা নাছিল? এয়াই আমাৰ আদৰৰ জুবিন দাৰ প্ৰতি মানুহৰ অপৰিসীম ভালপোৱা, সম্পূৰ্ণ নিঃস্বাৰ্থ ভালপোৱা। আজিৰ এই স্বাৰ্থপৰ পৃথিৱীখনত মানুহৰ কাৰো কথা কেতিয়াও ভাবিবলৈ সময় নাই আৰু সেই স্থলত মানুহে জুবিন দাৰ বাবেই নিশাৰ নিৰ্জনতাকো দিনৰ পোহৰৰ দৰে কৰি পেলাইছে। শেষকৃত্য হৈ যোৱাৰ দিনৰ পৰাই মানুহ ভালপোৱা আমাৰ আদৰৰ জুবিনদাক কোনেও অকলশৰে এক মূহুৰ্তও থাকিবলৈ দিয়া নাই। প্ৰতিটো নিশাই জুবিনক্ষেত্ৰ এক জনসমুদ্ৰত পৰিণত হয়। ধূপধূণাৰ সুগন্ধিয়ে সেয়া এক মন্দিৰত পৰিণত কৰিলে। আজিৰ বস্তুবাদী সমাজ ব্যৱস্থাত বহু সময়ত মানুহে নিজৰ পৰিয়ালৰ মানুহকে সময় দিবলৈ কুণ্ঠাবোধ কৰে। তেনেস্থলত মানুহে কৰ্মৰ মাজতে, ব্যস্ততাৰ মাজতে আমাৰ হিয়াৰ আমঠু গৰাকীৰ সেই স্থানলৈ গৈছে। দৰাচলতে মানুহে মানুহক কিমান নিঃস্বাৰ্থভাৱে ভাল পালে মানুহৰ বাবে ইমানখিনি কৰিব পাৰে। বহুদূৰণিৰ পৰা, লগতে প্ৰতিটো দিনতে যথেষ্ট বয়সস্থ লোকো এই ক্ষেত্ৰখনলৈ আহে। তেওঁলোকৰ কোনো নিজস্ব স্বাৰ্থ নাই। সম্পূৰ্ণ নিঃস্বাৰ্থভাৱে তেওঁলোক এই জুবিন ক্ষেত্ৰলৈ আহি তেওঁলোকৰ আদৰৰ শিল্পী গৰাকীক মৰম, ঞ্জ দ্ধা নিবেদন কৰে। এইখিনিতে এটা কথা মনলৈ আহে বাৰে বাৰে বহুলোকে ভালগীত গায়, বহুলোকে ভাল অভিনয় কৰে, বহুলোকে ভাল খেলে। কিন্তু এই সকলোৱে মাজত জুবিন দা কেনেকৈ ইমান জনপ্ৰিয় হ'ব পাৰিলে। কেনেকৈ তেওঁ জীৱন্ত কিংবদন্তীত পৰিণত হব পাৰিলে। তেখেতৰ অসাধাৰণ প্ৰতিভাৰ লগতে, তেখেতৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাৰ লগতে তেখেতৰ মানুহৰ লগত যি সম্পৰ্ক আৰু বন্ধুত্ব আছিল সেইবাবে তেখেত ৰাজ্যৰ কোটি কোটি জনসাধাৰণেই নহয় বিশ্বতেই তেখেতৰ প্ৰতিভা সমাদৃত হৈছিল। তেখেতে মানুহৰ লগতে আছিল আৰু মানুহৰ জীৱনৰ বিভিন্ন আবেগ, অনুভৱ সমূহক প্ৰতিনিধিত্ব কৰি মানুহৰ বাবে গীত গাই গৈছিল। সকলো ঞ্জেণী, সকলো বয়সৰ মানুহকে আন্তৰিকতাৰে বান্ধিব পাৰিছিল আৰু সকলোকে সমানে মৰম চেনেহ দিব জানিছিল। কোনোবাই তেওঁৰ লগত চিনা পৰিচয় হ'লে সেয়া এক সম্বন্ধত পৰিণত হৈছিল। মানুহক ইমান মৰমেৰে বান্ধি ৰাখিব পাৰিছিল যে তেওঁলোকৰ সুখ, দুখবোৰেহে তেখেতৰ সমুখত প্ৰাধান্যতা পাইছিল। সেইবাবে সহজতে তেখেতক লগ পাব পাৰিছিল মানুহবোৰে। বিভিন্ন সমস্যা, বিপদ আপদৰ সন্মুখীন হোৱা মানুহবোৰৰ কত যে সমস্যা বিনা দ্বিধাই সমাধান কৰি দিছিল আমাৰ জুবিন দাই। গতিকে তেখেত নিঃসন্দেহে আছিল একবিংশ শতিকাৰ ঞ্জে ষ্ঠতম গণসংযোগ। আজিৰ দিনত জুবিন গাৰ্গ এক ব্যক্তি বিশেষ নহয় তেখেত নিঃসন্দেহে এক অনুষ্ঠান। জুবিন দা মানুহৰ বাবে এজন ঈশ্বৰ আছিল। বিপদ আপদ হ'লেই তেখেতৰ ওচৰ চাপিছিল, সহায়ৰ কথা কৈছিল। বহু ৰুগীয়া মানুহে চিকিৎসাৰ সন্ধানত তেখেতৰ ওচৰলৈ আহিছিল আৰু তেখেতও পাৰ্যমানে সহায় কৰিছিল। তেখেতৰ বাবে, তেখেতৰ আন্তৰিক সহযোগৰ বাবেই বহুলোকে নতুন জীৱন লাভ কৰিছিল। হেৰাই যাব খোজা জীৱনটোৰ অৰ্থ বিচাৰি পাইছিল। মানুহৰ প্ৰতি তেখেতৰ যি আন্তৰিক মৰম স্নেহ আৰু সহযোগিতাৰ মনোভাৱ, এই সমূহৰ পৰা তেখেতক এক ঐশ্বৰিক গুণ সম্পন্ন ব্যক্তি বুলি ধৰিব পাৰি। এগৰাকী শিল্পীৰ সমাজখনত যি সামাজিক দায়বদ্ধতা থাকিব লাগে সেই সকলোখিনিয়েই আছিল তেওঁৰ মাজত। আমাৰ ৰাজ্যৰ জনসাধাৰণ যেতিয়াই কোনো এক দুৰ্যোগ অথবা সমস্যাৰ মুখামুখি হয় সেই সময়সমূহত জুবিন গাৰ্গ সদায় সমুখত আছিল আৰু তেওঁৰ চিন্তা আৰু সৰল যুক্তিৰে সমাজক সেই সমস্যা সমূহৰ পৰা মুক্ত কৰাব বিচাৰিছিল। স্বদেশ আৰু স্বজাতিৰ প্ৰতি তেওঁৰ অপৰিসীম মৰম আছিল বাবেই তেওঁ মুম্বাইৰ দৰে ঠাইৰ পৰা আঁতৰি আহি নিজৰ ৰাজ্যতেই বেছিভাগ সময় অতিবাহিত কৰিছিল আৰু নিজৰ ৰাজ্যৰ বাবে, ৰাজ্যৰ মানুহবোৰৰ বাবে ইটোৰ পিছত সিটোকৈ সৃষ্টি কৰি গৈছিল। জীৱনৰ শেষ দিনটোলৈ বাবে তেখেতৰ সৃষ্টি ব্যাহত হোৱা নাছিল। মনত কাম কৰিবলৈ বহু পৰিকল্পনা সাঁচি ৰাখিছিল। নিজৰ জাতিটোৰ বাবে কাম কৰাৰ সচাঁ অৰ্থত ইচ্ছা আছিল বাবেই মুম্বাইৰ দৰে এখন

*(বাৰপৃষ্ঠাত চাওক)*

## মুখাৰ তলৰ মুখ



**মালা বৰুৱা**

মঞ্চত তোমাৰ দেহাৰ ভাষা
বিপ্লৱী বাগ্মিতা
দুচকুৰ উজ্জ্বলতা,
অনুপ্ৰেৰণাৰ যেন ধল বাৰিষা!
আশে পাশে উৰি আছিল
সেউজীয়া পখিলা ।
আৰু আমি যে বহি আছিলো, দুচকুতলৈ
অপাৰ মুগ্ধতা।।
ইমান সহজে মুখা খুলি
মানৱতাৰ শিকলি চিঙি
নিষাদৰ জীঘাংসু দৃষ্টি
আমি বোৰ আচম্বিতে স্তম্ভিত।
শৰপাতে বৰ কৌশলেৰে নিমাত কৰিলে
অকণমানি চৰাইজনীৰ কোমল মাত।
কেনেকৈ যে ক'ত লুকাই থৈছিলা
তোমাৰ চিকাৰী দুহাত,
সদায়ে বুজো, বুজিও নুবুজো
আচলতে কিমান মিছা তোমালোকৰ এই
ৰাজহুৱা কথাৰ আধা
শূন্যত উৰা ফটাঢোলৰ বেথা।





# প্ৰথম প্ৰেমৰ আস্বাদন

**যোৱাখণ্ডৰ পৰা..**

**দেৱানন কটকী, মাজুলী**

পিছে বেচেৰাই জোকালে ভাল পাই যদিও, তাই তাক বেয়া বুলি ভাবিব বুলি ভয় ও কৰে। লাহে লাহে দিন বোৰ পাৰ হল। পিছে সি তাইৰ মনৰ ভাব টো জানিবলৈ আগ্ৰহী হল। কিন্তু ভুল বুজা বুজিৰ বাবে দুয়োটাৰে মাজত ব্যৱধান আহি পৰিল। তথাপিও ৰিমা ৰ ও তাইৰ মনত যে দেৱাশিস আছে সেইটো অনুভৱ কৰিলে। আকৌ দুয়োটাৰ মাজতে ভাল হল। দেৱাশিস এ অনুভৱ কৰিলে যে তাইও তাক বহুত মৰম, শাসন কৰে । লাহে লাহে সিহঁতৰ বন্ধুত্ব প্ৰেম নামৰ উপন্যাসৰ পাতত আবদ্ধ হল। দুয়োটাই নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিলে। সি যেন জীৱনৰ অজস্ৰ সুখ লাভ কৰিলে। সিহঁতৰ মৰম, ভাল পোৱা যেন সীমাহীন হৈ পৰিল। দুয়োটাৰে প্ৰতিশ্ৰুতি বোৰ, ইটোৱে সিটোৰ আগত ব্যক্ত কৰা মৰম, আৰু দুয়োটাৰে সপোন বোৰ যেন এক বিশাল আকাশৰ দৰে বিয়পি পৰিল।

তাৰ পাছতেই বাছৰ কণ্ডাক্টৰ জনে মাত লগালে, দাদা পালোঁহি নামক, সি যেন চক খাই উঠি গল। মনতে মিচিকিয়া হাঁহি এটা মাৰিলে সি। প্ৰেমৰ সেই পুৰণা কথা বোৰে তাৰ মনলে যেন হাঁহি এটা বিৰিঙাই আনিলে। বহুত ব্যাকুল হৈ থাকিল তাৰ মন । তাৰ মনত মাত্ৰ এটাই চিন্তা তাৰ ৰীমা ক লগ পাব। তাৰ হৃদ স্পন্দন যেন সীমাহীন হল। সি কাৰোবাক সুধি ডিব্ৰুগড় ইউনিভাৰ্চিটিৰ ছোৱালী হোষ্টেলৰ ফালে আগবাঢ়ি গল। সন্ধিয়া সময় চাৰিওফালে ফাগুন মাহৰ বতাহৰ মিহি লহৰ। হঠাৎ আঁতৰৰ পৰা সি এটা সুন্দৰ হাঁহি মুখীয়া ছোৱালী এজনীৰ শব্দ শুনিলে। হাঁহিটো যেন তাৰ চিনাকি তেনেকুৱা অনুভৱ হল। সি হাঁহিটোৰ আঁৰৰ চিনাকি মুখখন চাবলৈ ব্যাকুল হৈ পৰিল। বৰ আগ্ৰহেৰে সি দৌৰমাৰি গৈ তাৰ মনৰ ৰাণী গৰাকীক দেখা পালে। তাৰ মনত সীমাহীন ফূৰ্তি । হঠাৎ ৰীমাৰ সন্মুখীন হল সি আৰু দুয়োটাৰে দৃষ্টি পৰিল। কিন্তু দেৱাশিস আচৰিত হল, তাইৰ মনত তাৰ প্ৰতি সেই ব্যাকুল, মনৰ আনন্দ ভাব দেখা নাপালে। তাই দেৱাশিস ক কলে "তুমি, তুমি কিয় আহিছা"? আজি হঠাৎ আহিলা যে। দেৱাশিস হতবাক হৈ ৰল। সি কলে যে "তুমি আচৰিত হোৱা নাই মোক দেখি!" তাই কলে, "আচৰিত কিয় হম মই? কিন্তু তুমি আহি উপস্থিত হোৱাৰ কাৰণ কি"?। সি যেন সকলো লাহে লাহে বুজি উঠিল। তথাপিও সি কলে, "মই তোমাক ভাল পাওঁ, তোমাৰ খবৰ এটা ল'বলৈ আহিছোঁ, কেনেদৰে আছা চাবলে আহিছোঁ মই"। তাইৰ লগৰ ছোৱালী কেইজনী ৰ আগত লাঁজ পোৱা যেন অনুভৱ কৰিলে আৰু কলে, "কি কথা কবলৈ আহিছা মোক, কথা চাই চিটি কব নোৱাৰা নি। ইহঁতৰ আগত যি টি কথা কিয় কৈছা। আৰু আগৰ কথা বাদ দিয়া, এতিয়া তোমাৰ ৰাস্তা বেলেগ, মোৰো ৰাস্তা বেলেগ। তোমাৰ দৰে মই বেকাৰ নহয়। মোৰ এটা আত্মসন্মান আছে। আগৰ দিন নাই এতিয়া দেৱাশিস।" তাৰ চকুৰ আগত যেন ব্ৰজ্যপাত পৰিল। তথাপিও সি জানিব বিচাৰিলে তাইৰ সলনি হোৱাৰ উদ্দেশ্য। তাই বৰ গুৰুত্ব নিদিলে। তাই কলে, "তুমি আঁতৰি যোৱা ৰবিয়ে দেখিলে কি ভাবিব মোক।"

সি যেন প্ৰাণ নথকা এক মৃতদেহৰ দৰে হৈ পৰিল। তাইক একো প্ৰশ্ন নকৰি সেই ঠাইতে মূৰ্তি হৈ বহি পৰিল। মনৰ বেজাৰত তাৰ পৰা সি আঁতৰি আহিল। সি ওচৰতে এটা ৰুম ললে ৰাতিটোৰ বাবে। গোটেই ৰাতি টো তাইৰ লগত কটোৱা পুৰণা স্মৃতি বোৰে যেন তাক বৰকৈ আমনি কৰিলে। ৰাতিটো কান্দিলে। সি যেন পাগল ৰ দৰে হৈ পৰিল। কিন্তু তাৰ মাজতো যেন সি নিজকে বুজালে। ৰাতিটো তাৰ মনত নিজকে শেষ কৰি দিয়াৰ চিন্তা আহিল যদিও ধৈৰ্য্য ধৰিল সি। তথাপিও নিজতকৈও বেছি ভাল পোৱা সেই ৰিমাৰ অবিহনে সি শূণ্য অনুভৱ কৰিলে।

প্ৰেম মানে এক মিছা ভ্ৰান্তি যেন সি অনুভৱ কৰিলে।

# অশোকাষ্টমীৰ ইতিহাস আৰু শুৱালকুছিৰ অশোকাষ্টমীৰ আঁত বিচাৰি


**নমিতা দাস, শুৱালকুছি**

**যোৱাখণ্ডৰ পৰা..**

শুৱালকুছিত কেতিয়াৰ পৰা কেনেকৈ অশোকাষ্টমী পালন কৰা হল সঠিককৈ কবলৈ টান শুৱালকুছি, মহাবাহুৰ উত্তৰ পাৰে অৱস্থিত ছাঁতে শুকুৱা মুঠিতে লুকোৱা শিপিনী সকলে কাপোৰত সপোন ৰচিব পৰা ভাৰতবৰ্ষৰ ভিতৰতে বৃহৎ সোনালী সুতাৰ গাঁৱেই নহয় এই গাওঁ খনত আছে শিক্ষা, সংস্কৃতি, অৰ্থনীতি, সাহিত্য তথা ধৰ্মীয় ক্ষেত্ৰতো বাৰটি মাহৰ প্ৰতিটো তিথিয়ে সামুহিক ভাবে খুব আড়ম্বনা পূৰ্ণকৈ পালন কৰা তিথি বোৰৰ ইতিহাস । বাসন্তী উৎসৱ অশোকাষ্টমী এনে আনন্দ উচ্ছাসেৰে প্ৰকাশ ।

শুৱালকুছিত কেতিয়াৰ পৰা কাৰ প্ৰচেষ্টাত অশোকাষ্টমী আৰম্ভ হৈছিল সঠিক কৈ নিৰ্ণয় কৰিব পৰা নাযায় যদিও ১৯৬২ চনৰ পৰা অশোকাষ্টমী পৰিচালিত কৰা ধৰণ -কৰণ অসংগঠিত ৰূপত আছিল, তেতিয়াৰ সভাপতি প্ৰমোদ মড়ল আৰু সম্পাদক দেৰেন দাসে ১৯৭৪ চনলৈ দুয়োজন ব্যক্তিয়ে দুয়োটা পদত নিয়োজিত থকা বুলি সদৌ শুৱালকুছিৰ অশোকাষ্টমীৰ "তীৰ্থস্থান"নামৰ বাৰ্ষিক মুখপত্ৰ খনৰ পৰা জানিব পৰা যায় যদিও ১৯৭৪-৭৫ চনৰ পৰা ৰাজহুৱা সভাৰ যোগেদি সদৌ শুৱালকুছি অশোকাষ্টমী পৰিচালনা সমিতি গঠন প্ৰক্ৰিয়াৰে সংগঠিত ৰূপত দেখা পোৱা পৰিলক্ষিত হয় ।

ভাৰতবৰ্ষৰ মান-চেষ্টাৰ স্বৰূপ শুৱালকুছি এচিয়াৰ ভিতৰতে পাট - কাপোৰৰ প্ৰসিদ্ধ এখন ঐতিহ্য মণ্ডিত গাওঁ হ'লেও ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে অশোকাষ্টমীৰ লগত ওতঃপ্ৰোত ভাবে জড়িত অশোকাষ্টমীৰ দিনা লোক বিশ্বাস মতে ব্ৰহ্মমুহূৰ্ত্তে ব্ৰহ্মপুত্ৰত স্নান কৰিলে গংগাস্নানৰ পূণ্য অৰ্জনৰ অভিলাষ পূৰ্ণ হয় । সেয়েহে সেই দিনটোতে তৰ্পন কৰা, পিণ্ডদিয়া, অস্থি অটোৱা আদি প্ৰভৃতি কামবোৰ চলি আহিছে । এনেবোৰ কাৰণতে সেইদিনা ব্ৰহ্মপুত্ৰৰ পাৰত বহুতো মানুহ বহু ঠাইৰ পৰা আহি অশোকাষ্টমী মহামেলাত প্ৰয়োভৰ কৰা দেখা যায় । তেওঁলোকে নিজৰ নিজৰ পৰিয়ালৰ লোকৰ দুখ, দুৰ্গতিৰ অপায়, অমংগল মুক্ত হ'বলৈ বুলি ব্ৰহ্মপুত্ৰৰ স্নানকে ধৰি সেই দিনটোত বিভিন্ন ঠাইৰ পৰা অনা সিদ্ধেশ্বৰ, ধাৰেশ্বৰ, ভৃঙ্গেশ্বৰ হয়গ্ৰীৱ মাধৱ, কেদাৰ, কমলেশ্বৰ, কামেশ্বৰ আৰু গনেশ মন্দিৰৰ, বিগ্ৰহ সমূহক সুসজ্জিত দোলাৰে শংখ, ঘন্টা বৰকাঁহ ধ্বনিৰে বৰ লুইতৰ গংগাৰ মিলিত জলেৰে স্নান কৰোৱাই পুজাৰীয়ে অশোক ফুলেৰে পূজা অৰ্চনা বন্দনা কৰে । তাৰ পিছতেই অশোকাষ্টমী ক্ষেত্ৰত শাৰীকৈ পতা মুকলি বেদীত প্ৰতিষ্ঠা কৰাৰ পিছত দৰ্শক তীৰ্থযাত্ৰী, ভক্তসকলে নিজৰ লগতে ঘৰখনৰ বাবে এই বিগ্ৰহ সমূহত পূজা অৰ্চনা কৰি আৰ্শীবাদ বিচাৰে ।



অশোকাকাষ্টমীৰ লগত সংগতি ৰাখি বালি চাপৰিৰ সেউজ ঘাহনিৰ ওপৰত এখন বৃহত মেলা বহে । শুৱালকুছিৰ গাতে লাগি থকা ওচৰৰ গাওঁ সমূহৰ থলুৱা ব্যৱসায়ী সকলে এই মেলালৈ বিভিন্ন সামগ্ৰী বিক্ৰিৰ বাবে লৈ আনে । মেলা খনৰ প্ৰধান আকৰ্ষণ হৈছে হস্তশিল্পজাত বাঁহ-বেতৰ পাচি, খৰাহি কুলা, চালনী, পাটি বিচনী, আদি বিভিন্ন সামগ্ৰীকে ধৰি দা-কটাৰী আদি লোৰ সঁজুলী, বাঢ়নী, বগৰী, তেতেলী, আদা, নহৰু, কুঁজীথেকেৰা, শুকান বগৰী, বগৰী গুড়ীকে ধৰি সৰু সৰু আকৃতিৰ মাটিৰে নিৰ্মিত সৰু লৰা-ছোৱালীৰ খেলৰ সামগ্ৰী বোৰ বিশেষ আকৰ্ষণীয় ৰূপত মেলাত দেখিবলৈ পোৱা যায় । কাপোৰ, চেন্দেল শাক- পাচলীৰ লগতে বিভিন্ন প্ৰকাৰৰ মচলাকে ধৰি কেলেণ্ডাৰ, পঞ্জিকা ও মেলাত দেখিবলৈ পোৱা যায় । আন এক উল্লেখযোগ্য যে পুৰণি কালত এই মেলাত নগদ ধনেৰে বস্তু ক্ৰয়- বিক্ৰয় কৰাৰ পৰিৱৰ্তে সল-সলনিকৈ বিনিময় প্ৰথাৰ প্ৰচলন আছিল বুলিও ভাবিবৰ থল আছে।

সময় পৰিবৰ্তনশীল সময়ৰ লগে লগে এই মেলাৰ আকৰ্ষণীতাৰ বাবে আগতে যদিও এই মেলা এদিনীয়াকৈ পাতিছিল কেইবছৰ মানৰ আগৰে পৰা দুদিনীয়াকৈ এই মেলা অনুষ্ঠিত কৰি অহা হৈছে, য'ত সকলোৱে সমবেত হৈ ভগৱানৰ আশীষ বিচাৰে, য'ত সকলোৱে মিলিত হৈ অশোকাষ্টমীক মহান সমন্বয় এনাজৰীৰে বান্ধি যুগে যুগে ধৰ্ম সংস্কৃতি সম্প্ৰতিৰ জ্যোতিৰে উজ্জলাই ৰাখিছে এই জ্যোতি চিৰ প্ৰৱাহমান হৈ বৈ থাকক ।

# বৰপেটা মেডিকেলৰ নাম সলনি

নামত দিয়া হ'ব। গৌৰৱ গগৈৰ এনে ঘোষণাক প্ৰত্যুত্তৰ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বৰপেটা চিকিৎসা মহাবিদ্যালয় বুলি ইয়াৰ নাম লিখা হৈ গ'ল। এতিয়া ইয়াক সলনি কৰিবলৈ গৌৰৱ গগৈয়ে ৭ বাৰ জনম ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে প্ৰতিখন জিলাত স্থাপন হোৱা চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহৰ নাম ঠাই অনুসৰি দিয়া হৈছে। গতিকে বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ নামো সেই ধৰণেই সলনি কৰা হৈছে। এইক্ষেত্ৰত ইয়াক বৰপেটাবাসীয়েও মানি লৈছে। ইফালে মুখ্যমন্ত্ৰীয়ে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈকো তীব্ৰ সমালোচনা কৰে। শেহতীয়াকৈ লুৰিণজ্যোতি গগৈয়ে নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়নত বয়স হ্ৰাস কৰা বুলি যথেষ্ট বিতৰ্কৰ সৃষ্টি হৈছিল। এই প্ৰসংগতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বৰ্তমান তেওঁৰ বয়স ২০২১ চনত ৪৩ বছৰ আছিল। সেই অনুসৰি এইবাৰ বয়স ৪৮ হ'ব লাগে। আমাৰ অসমীয়া ল'ৰাসকলে ৩০-৩২ বছৰত বিয়া পাতে। কিছুমানে বিয়া নাপাতে। এতিয়া বিয়া পাতিলেও ভাল, নাপাতিলেও ভাল, কিন্তু মাজত থকাটো বেয়া। লুৰিণজ্যোতি গগৈয়ে বয়স হ্ৰাস কৰাৰ কাৰণটো হ'ল বিয়াৰ বাবে তেওঁ কাৰোবাক উত্তৰ দিবলগীয়া আছে। এইবাৰ যদি তেওঁ নিজিকে, তেওঁৰ বিয়াখন নহ'ব। সেয়ে মই প্ৰস্তাৱ দিছোঁ, এই সংকল্পটো উঠাই ল'ব লাগে। কাৰণ তেওঁ জিকাৰ সম্ভাৱনা নাই। কোনোবাই বিয়া পতাৰ বাবে এমএলএ হ'ব খোজে নেকি? বিধায়ক নিৰ্বাচনত প্ৰাৰ্থীয়ে বিশ্ববিদ্যালয় নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে, চিকিৎসালয় নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে, কিন্তু মই প্ৰথম দেখিছোঁ লুৰিণজ্যোতি গগৈৰ বিয়া পাতিব লাগে, সেইবাবেই তেওঁলোকক ভোট দিব লাগে।

# ২০২৬-২৭ বৰ্ষৰ ঘৰুৱা ছিজনৰ

ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। শৃংখলাটোৰ বাকী দুখন মেচ ত্ৰিবান্দ্ৰম আৰু নিউ চণ্ডীগড়ত অনুষ্ঠিত হ'ব। আনহাতে, ৬-১৭ অক্টোবৰলৈ অনুষ্ঠিত হ'বলগীয়া পাঁচখনীয়া টি-২০ শৃংখলাটোৰ মেচকেইখন ক্ৰমে লক্ষ্ণৌ, ৰাঁচী, ইন্দোৰ, হায়দৰাবাদ আৰু বেংগালুৰুত অনুষ্ঠিত হ'ব। ইপিনে, বছৰটোৰ শেষৰ পিনে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচত ভাগ লোৱাৰ উদ্দেশ্যে ভাৰতলৈ আহিব শ্ৰীলংকা দল। ১৩-১৯ ডিচেম্বৰলৈ হ'বলগীয়া এদিনীয়া শৃংখলাটোৰ মেচকেইখন ক্ৰমে দিল্লী, বেংগালুৰু আৰু আহমেদাবাদত অনুষ্ঠিত হোৱাৰ বিপৰীতে ২২-২৭ ডিচেম্বৰলৈ চলিবলগীয়া টি-২০ মেচৰ শৃংখলাটোৰ মেচকেইখন ক্ৰমে ৰাজকোট, কটক আৰু পুনেত খেলোৱা হ'ব। আনহাতে, ২০২৭ বৰ্ষৰ আৰম্ভণিতে ভাৰত ভ্ৰমণলৈ আহিব জিম্বাব'ৱে। ভাৰত ভ্ৰমণকালত জিম্বাব'ৱেই তিনিখন এদিনীয়া মেচত ভাগ ল'ব আৰু মেচকেইখন ৩, ৬ আৰু ৯ জানুৱাৰীত কলকাতা, হায়দৰাবাদ আৰু মুম্বাইত খেলোৱা হ'ব। ২০২৭ বৰ্ষৰে জানুৱাৰী মাহৰ শেষ ভাগত পাঁচখনীয়া ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী টেষ্ট শৃংখলাত ভাগ লোৱাৰ উদ্দেশ্যে ভাৰত ভ্ৰমণ কৰিব শক্তিশালী অষ্ট্ৰেলিয়াই। শৃংখলাটোৰ প্ৰথমখন টেষ্ট ২১-২৫ জানুৱাৰীলৈ নাগপুৰত, দ্বিতীয়খন টেষ্ট ২৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ চেন্নাই, টেষ্ট শৃংখলাটোৰ তৃতীয়খন টেষ্ট গুৱাহাটীত অনুষ্ঠিত হ'ব। ১১-১৫ ফেব্ৰুৱাৰীলৈ টেষ্টখন বৰ্ষাপাৰাস্থিত এচিএ ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। চতুৰ্থখন টেষ্ট ১৯-২৩ ফেব্ৰুৱাৰীলৈ ৰাঁচীত আৰু পঞ্চম তথা অন্তিমখন টেষ্ট ২৭ ফেব্ৰুৱাৰীৰ পৰা ৩ মাৰ্চলৈ আহমেদাবাদত খেলোৱা হ'ব।

# ছিংগাপুৰৰ ক'ৰোনাৰ্ছ আদালতৰ

বন্ধুবৰ্গৰ সৈতে সাগৰলৈ গৈছিল। প্ৰথমবাৰ লাইফ জেকেট পৰিধান কৰিলেও দ্বিতীয়বাৰ তেওঁ জেকেট পৰিধান কৰা নাছিল। সহযাত্ৰী আৰু য়াটৰ কেপ্টেইনে বাৰম্বাৰ অনুৰোধ কৰাৰ পিছতো তেওঁ জেকেট পৰিধানৰ বাবে অস্বীকাৰ কৰিছিল। ইয়াৰ ফলত সাগৰত সাঁতুৰি ঘূৰি অহাৰ পথত জুবিনৰ মাজ সমুদ্ৰত নিস্তেজ হৈ পৰি মৃত্যু হয়। ছিংগাপুৰৰ ক'ৰোনাৰ্ছ আদালতে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত দিয়া ৰায়দানক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে পত্নী গৰিমা গাৰ্গে। সংবাদ মাধ্যমৰ আগত গৰিমা গাৰ্গে কয়- ক'ৰোনাৰ্ছ আদালতে আজিলৈকে যিমানখিনি ৰায়দান দিছে, সেই একেখিনি কথাই কৈছে। তেওঁলোকে প্ৰাইভেট ইণ্ডিভিজুৱেল তদন্ত কৰিছে আৰু ছিংগাপুৰ এখন পৰ্যটননিৰ্ভৰ দেশ। গতিকে তেওঁলোকে নিজৰ দিশৰ পৰা ৰায়দান দিছে। কিন্তু সেই ৰায়দানে আমাৰ ন্যায় দান প্ৰক্ৰিয়াত প্ৰভাৱ পেলাব বুলি নাভাবোঁ। আমাৰটো ন্যায় প্ৰক্ৰিয়া বেলেগ ধৰণে হৈ আছে। এই ন্যায় প্ৰক্ৰিয়া ভালদৰে হওক। আমি সেইটোকে আশা কৰি আছোঁ। চৰকাৰে স্পেচিয়েল ক'ৰ্ট দিছে। এতিয়া তদন্ত ভালদৰে হ'ব লাগে। মুখ্যমন্ত্ৰী আৰু কেবিনেটেও গোটেই কথাখিনি কৈছে। দোষীয়ে কঠোৰ শাস্তি পাব লাগে। ইফালে জুবিন গাৰ্গৰ নাম লৈ ৰাজনীতি নকৰিবলৈ সকীয়াই দিছে জুবিন গাৰ্গৰ খুৰাক মনোজ বৰঠাকুৰে। কংগ্ৰেছ বিৰোধী মিত্ৰজোঁটক মনোজ বৰঠাকুৰে নীৰৱে থাকিবলৈ আহ্বান জনাই কয় যে অসমৰ ভোটাৰক তেওঁলোকে মূৰ্খ বুলি ভাবিব নালাগে। আজিৰ প্ৰজন্ম বহু সচেতন, বুদ্ধিমান। জুবিনৰ নাম লৈ বিৰোধীয়ে ৰাজনৈতিক মুনাফা নল'বলৈকো আহ্বান জনায় মনোজ বৰঠাকুৰে।

# ছিংগাপুৰৰ ক'ৰোনাৰ্ছ আদালতৰ

আগদিনা ৰাতিৰ পৰাই জুবিনক সুৰাপান কৰাৰ কথা আদালতত উল্লেখ কৰিছে। এই কথা আমাৰো অভিযোগনামাত উল্লেখ আছে। মাত্ৰ আমাৰ অভিযোগনামাত উল্লেখ আছে যে তেওঁক সুৰা খুৱাই দিয়া হৈছিল। উদ্দেশ্যপ্ৰণোদিতভাৱে জুবিনক মদ খুওৱা হৈছিল। সেই কাৰণে মই প্ৰথমৰ পৰাই কৈছোঁ যে অসম আৰক্ষীয়ে ছিংগাপুৰ আৰক্ষীতকৈ বেছি ভাল কাম কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয়- এই তদন্তৰ ক্ষেত্ৰত বহু লোকে অসম আৰক্ষীক তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱাৰ কথা কৈছিল। যদি অসম আৰক্ষী ছিংগাপুৰলৈ গ'লহেঁতেন তেন্তে কি পালেহেঁতেন? যোৱা সময়ছোৱাত অখিল গগৈ, দুলু আহমেদে কি কৈ আছিল? তেওঁলোকৰ দাবী-অসম আৰক্ষী ছিংগাপুৰলৈ যাব লাগে। ছিংগাপুৰলৈ গ'লে আমাৰ কি অৱস্থা হ'লহেঁতেন? আমি যে সঠিক দিশত গৈ আছিলোঁ সেয়া ছিংগাপুৰৰ ৰায়ে স্পষ্ট কৰিছে। আমাৰ কথাৰ লগত ছিংগাপুৰৰ আদালতৰ কথাৰ পাৰ্থক্য নাই। ছিংগাপুৰৰ আদালতে কৈছে যে জুবিন গাৰ্গক আগনিশাৰ পৰাই মদ্যপান কৰোৱা হৈছিল। আমিও কৈছোঁ অমৃতপ্ৰভাই ৰাতিৰ পৰাই তেওঁক ষড়যন্ত্ৰৰ আধাৰত মদ খুৱাইছিল। গতিকে আজি অন্ততঃ অসমৰ মানুহে বুজি পাব আমি ৰাজনীতিৰ পৰা দূৰত থাকি যিমান গুৰুত্বসহকাৰে কাম কৰিছোঁ, ছিংগাপুৰত গ'লে ইয়াৰ কোনো ফলাফল নাপালোঁহেঁতেন। ছিংগাপুৰত নোযোৱাৰ বাবে আমাক কিমান গালি পৰা হৈছিল। কিন্তু আমি জানিছিলোঁ যে বেংক একাউণ্ট ইয়াত, ষড়যন্ত্ৰ অসমত হৈছে, ছিংগাপুৰত গৈ আমি কি কৰিম? ছিংগাপুৰৰ ৰায়ে প্ৰমাণ কৰিছে অসম আৰক্ষী ছিংগাপুৰলৈ নোযোৱাটো কিমান ভাল হৈছে। মুখ্যমন্ত্ৰীয়ে আজি ইয়াকো কয়- নিৰ্বাচনৰ পাছত জুবিনৰ অভিযোগনামাৰ ওপৰত আলোচনা কৰিম।

# অংগাভিনয় অসমৰ বিহু

অংশ স্বৰূপে অংগাভিনয়, অসমৰ প্ৰশিক্ষক, প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা প্ৰদৰ্শিত অপূৰ্ব অভিনয়ৰ সংমিশ্ৰণ "ৰং-ৰহেঁদৈ" নৃত্য নাটিকা খনিয়ে সকলোকে আপ্লুত কৰাৰ উপৰিও উপস্থিত বহুতো দৰ্শকৰ চকুলো নিগৰাবলৈ সক্ষম হয়। কৰ্মশালা খনিৰ সকলো প্ৰশিক্ষাৰ্থীকে প্ৰদান কৰা মানপত্ৰ সমূহে তেখেতসকলৰ মনোবল বৃদ্ধিত যথেষ্ট অৰিহণা যোগাব।২০২৬ বৰ্ষৰ অংগাভিনয় অসমৰ বিহু কৰ্মশালাৰ মুকলি আকাশৰ তলৰ আটকধুনীয়া সামৰণি অনুষ্ঠান খনি দৰ্শক বৃন্দৰ মানসপটত বহুদিনলৈ সজীৱ যে হৈ থাকিব, ধ্ৰুৰূপ। ভৱিষ্যতেও এনে আটকধুনীয়া অনুষ্ঠানৰ উপভোগৰ বাবে অসমীয়া সংস্কৃতিৰ লগত জড়িত সকলো ব্যক্তিয়েই অংগাভিনয়, অসমৰ প্ৰত্যেক গৰাকী প্ৰশিক্ষকৰ মুখলৈ অধীৰ আগ্ৰহেৰে বাট চাই ৰ'ব।

# ৬৭ প্ৰাৰ্থীয়ে প্ৰত্যাহাৰ

আমিনুল ইছলামে নিজৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰা বুলি তেওঁ প্ৰকাশ কৰিছে। মনোনয়ন প্ৰত্যাহাৰ কৰা অন্যান্যসকলৰ ভিতৰত অন্যতম প্ৰাৰ্থী হ'ল ঢকুৱাখনা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী সুৰজিৎ দলে। সুৰজিৎ দলে সমষ্টিটোৰ কংগ্ৰেছৰ প্ৰাৰ্থিত্বপ্ৰত্যাশী আছিল যদিও দলে তেওঁৰ স্থানত আনন্দ নৰহক প্ৰাৰ্থিত্ব প্ৰদান কৰে। ইয়াতে ক্ষোভিত হৈ সুৰজিৎ দলেই সমষ্টিটোত নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতাৰ কাৰণে মনোনয়ন দাখিল কৰিছিল। শিৱসাগৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতাৰ কাৰণে মনোনয়ন দাখিল কৰা চিপিআইৰ প্ৰাৰ্থী মদন বৰুৱায়ো প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰে। স্থানীয় বিধায়ক অখিল গগৈক সমৰ্থন কৰাৰ বাবেই মদন বৰুৱাই মনোনয়ন প্ৰত্যাহাৰ কৰা বুলি স্পষ্ট কৰিছে ৰাইজৰ দলৰ নেতা ধৈৰ্য কোঁৱৰে। বিহালী বিধানসভা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে নিৰ্দলীয় প্ৰাৰ্থী প্ৰবীণ বৈশ্যয়ো। কোটিপতি এইগৰাকী প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰে সমষ্টিটোত বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে। হোজাই জিলাৰ তিনিটা সমষ্টি ক্ৰমে বিন্নাকান্দি, লামডিং আৰু হোজাইত ৩গৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। বিন্নাকান্দিত ২জন ক্ৰমে আক্তৰ উদ্দিন আৰু বুৰহান উদ্দিনে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ বিপৰীতে লামডিঙত এজন নিৰ্দলীয়ই প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। হোজাইৰ তিনিওটা সমষ্টিত এতিয়া ১৮জন প্ৰাৰ্থীয়ে নিৰ্বাচনী যুঁজ দিব। নগাঁৱৰ ধিঙত হাইদৰ আলী নামৰ এজন নিৰ্দলীয়ই প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। নগাঁও জিলাৰ সমষ্টিকেইটাত এতিয়া ৩৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। গোৱালপাৰা জিলাৰ ৪ সমষ্টিত ৫জন নিৰ্দলীয়ই প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। ইয়াৰে জলেশ্বৰত এজন, পশ্চিম গোৱালপাৰাত এজন, পূব গোৱালপাৰাত ২জন, দুধনৈত এজনে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। মানস সমষ্টিত ড° মামণি দেৱীৰ ৰূপত এজনে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। বিশ্বনাথ জিলাৰ তিনিটা সমষ্টিৰ ভিতৰত বিহালী আৰু বিশ্বনাথ সমষ্টিত এগৰাকীকৈ প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাত জিলাখনত ১৩গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। ধুবুৰীৰ বিলাসীপাৰাত নিৰ্দলীয় প্ৰাৰ্থী ৰমেশ চন্দ্ৰ ৰয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ধুবুৰীৰ ৫টা বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতা আগবঢ়াব মুঠ ৩৩গৰাকী প্ৰাৰ্থীয়ে।

# মহানগৰীৰ জু-ৰোডত

আছিল যুৱতীগৰাকী। বিগত তিনি দিনে কোঠাৰ দুৱাৰ খোলা নাছিল যুৱতীগৰাকীয়ে। তদুপৰি কোঠাটোৰ পৰা বিয়পি পৰা উৎকট দুৰ্গন্ধই বিষয়টো অধিক ৰহস্যঘন কৰি তোলে। ভাৰাঘৰটোৰ স্বত্বাধিকাৰীয়ে এই সন্দৰ্ভত স্থানীয় ৰাইজক অৱগত কৰাত ৰাইজে গীতানগৰ আৰক্ষীক খবৰ দিয়ে। তাৰ পাছত ৰাইজৰ খবৰৰ ভিত্তিত বৃহস্পতিবাৰে বিয়লি আৰক্ষীয়ে বন্ধ কোঠাৰ দুৱাৰ ভাঙি চিপ লোৱা অৱস্থাত যুৱতীগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰে। তিনি দিন হৈ যোৱাৰ বাবে মৃতদেহটো কিছু পৰিমাণে গেলিবলৈ আৰম্ভ কৰিছিল বুলি জানিব পৰা গৈছে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে যুৱতীগৰাকীৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এম চি এইচলৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে থানাত এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। প্ৰাথমিক তদন্তত আৰক্ষীয়ে এয়া আত্মহত্যাৰ ঘটনা বুলি উল্লেখ কৰিছে। অৱশ্যে কি কাৰণত যুৱতীগৰাকীয়ে এই পন্থা গ্ৰহণ কৰিছে তাক লৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# বিজেপিৰ পৰা বহিষ্কাৰ

পৰা বহিষ্কাৰ কৰা হৈছে। উক্ত ছয় গৰাকী নেতা হৈছে ক্ৰমে লাওখোৱা মণ্ডল সভাপতি, কলিয়াবৰৰ গগন চন্দ্ৰ মণ্ডল, পশ্চিম কলিয়াবৰ মণ্ডল সভাপতি, কলিয়াবৰৰ কিশোৰ কৰ্মকাৰ , পশ্চিম কলিয়াবৰ মণ্ডল সাধাৰণ সম্পাদক গুৰু প্ৰসাদ উপাধ্যায় , পূব কলিয়াবৰ মণ্ডলৰ সাধাৰণ সম্পাদক তুশান্ত কলিতা ,জিলা সভাপতি, অনুসূচিত জাতি মৰ্চা, কলিয়াবৰ মণি হাজৰিকা আৰু সাধাৰণ সম্পাদিকা, চাহ জনগোষ্ঠী মৰ্চাৰ পিংকি মিৰ্ধা চুনা । উল্লেখযোগ্য যে প্ৰাৰ্থিত্ব লাভ নকৰি নিৰ্দলীয়ভাৱে নিৰ্বাচন খেলিব বিচৰা নেতাসকলক সৈমান কৰাৰ বাবে ৰাজ্যিক বিজেপিয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও উক্ত নেতাসকল বুজনিত সৈমান নহ'ল। যাৰ বাবে দলটোৱে আজি তেওঁলোকক দলৰ পৰা বহিষ্কাৰ কৰিবলৈ বাধ্য হ'ল।

# প্ৰতিলিটাৰ পেট্ৰ'ল-

পৰিস্থিতিত বিশ্বৰ বজাৰত তেলৰ দাম বেৰেলে প্ৰতি বহুখিনি বৃদ্ধি পাইছে। পিছে ভাৰতৰ বজাৰত এতিয়ালৈকে সাধাৰণ পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধি পোৱা নাই। বিশ্বৰ বজাৰত তেলৰ দাম বৃদ্ধি হোৱাত ভাৰততো তাৰ প্ৰভাৱ পৰাৰ আশংকা বৃদ্ধি পাইছে। কিন্তু কেন্দ্ৰৰ এই সিদ্ধান্তৰ ফলত আপাততঃ ভাৰতত পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধি হোৱাৰ সম্ভাৱনা কম বুলি বহুতেই ধাৰণা কৰিছে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে জনাইছে যে পৰিৱৰ্তিত পৰিস্থিতিত চৰকাৰৰ ওচৰত দুটাই পথ খোলা আছিল। প্ৰথমটো আন দেশৰ দৰে ভাৰতেও পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধি কৰা, দ্বিতীয়টো আৰ্থিক ক্ষতি মূৰ পাতি লৈ দেশবাসীক মূল্যবৃদ্ধিৰ পৰা ৰক্ষা কৰা। মোদী চৰকাৰে দ্বিতীয়টো পথকে বাছি লৈছে বুলি জনায় পুৰীয়ে। পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ তৰফৰ পৰা ইতিমধ্যে জনোৱা হৈছে যে দেশত যি পৰিমাণৰ অপৰিশোধিত তেল মজুত আছে তাৰেই ৬০ দিনৰ চাহিদা পূৰণ কৰিব পৰা যাব। এই সময়ছোৱাৰ ভিতৰত বিশ্বত বৃহৎ কোনো সংকট হ'লেও তেলৰ যোগান ব্যাহত নহ'ব বুলি আশ্বস্ত কৰা হৈছে। লগতে জনোৱা হৈছে যে আমেৰিকা, ৰাছিয়াৰ দৰে দেশৰ পৰা গেছ পৰিবাহী জাহাজ শীঘ্ৰে ভাৰতৰ বন্দৰসমূহত উপস্থিত হ'বহি। ইতিমধ্যে ৮০০ হাজাৰ মেট্ৰিকটন গেছৰ আমদানি সুনিশ্চিত হৈ গৈছে। তেনেক্ষেত্ৰত এমাহ পিছতো গেছৰ সংকট নহ'ব বুলি কোৱা হৈছে।

# ৩০ মাৰ্চত 'নমো এপ'ৰে

প্ৰাৰ্থী তথা বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীৰ সমৰ্থনত যোৰহাট ট্ৰাক ষ্টেণ্ডত অনুষ্ঠিতব্য এখন জনসভা তেওঁ সম্বোধন কৰিব। ইয়াৰ পাছত যোৰহাটৰ পৰা হেলিকপ্টাৰযোগে ডিব্ৰুগড়ত উপস্থিত হৈ তেওঁ জালান নগৰ ৰিফিউজী মধ্য ইংৰাজী বিদ্যালয় ফিল্ডত উপস্থিত হৈ এখন জনসভা সম্বোধন কৰাৰ কথা। এই জনসভাখনৰ জৰিয়তে তেওঁ প্ৰচাৰ চলাব ডিব্ৰুগড়ৰ বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী প্ৰশান্ত ফুকনৰ হৈ। নিৰ্ধাৰিত কাৰ্যসূচী সামৰি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাৱিছে ডিব্ৰুগড়স্থিত মোহনবাৰী বিমানবন্দৰৰ পৰা উভতি যাব মুম্বাইলৈ। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহৰ দ্বিতীয়টো অসম ভ্ৰমণসূচীও ইতিমধ্যে স্থিৰ হৈছে। সেই অনুসৰি অহা ২ এপ্ৰিলত তেওঁ নতুন দিল্লীৰ পৰা পোনে পোনে শিলচৰৰ কুম্ভিৰগ্ৰাম বিমানবন্দৰত উপস্থিত হৈ হেলিকপ্টাৰযোগে যাব কাটলিচেৰা সমষ্টিৰ লালমাটিলৈ। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী কৃষ্ণেন্দু পালৰ সমৰ্থনত লালমাটিত অনুষ্ঠিত হ'বলগীয়া এখন নিৰ্বাচনী প্ৰচাৰ সভাক তেওঁ সম্বোধন কৰিব। ইয়াৰ পাছত হেলিকপ্টাৰযোগে পুনৰ শিলচৰলৈ উভতি আহি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত দলীয় প্ৰাৰ্থী ডাঃ ৰাজদ্বীপ ৰয়ৰ সমৰ্থনত অনুষ্ঠিতব্য আন এখন জনসভাত তেওঁ অংশগ্ৰহণ কৰাৰ কথা। এই দুখন জনসভা সম্বোধন কৰি তেওঁ এদিনীয়া অসম ভ্ৰমণসূচী সামৰণি মাৰিব আৰু কম্ভিৰগ্ৰাম বিমানবন্দৰৰ পৰা উভতি যাব।

# গৌৰৱ গগৈৰ বৰ

জানে। শংকৰদেৱৰ লগত ছাঁৰ দৰে কোন আছিল ?, মাধৱদেৱ আছিল নে আজান ফকীৰ আছিল ? পৰোক্ষভাৱে গৌৰৱ গগৈয়ে ক'ব বিচাৰিছে যে বাংলাদেশী আৰু আমি একেলগে থাকিব লাগিব। ইয়াৰ দ্বাৰা তেওঁ বুজাব বিচাৰিছে যে বাংলাদেশীসকল আৰু অসমীয়াসকলক একলগ কৰা হ'ব। গতিকে তেওঁ কৈ দিয়ক যে আমাৰ সত্ৰ-মন্দিৰ সকলো বিসৰ্জন দিম। এনে বৰ অসম আমাৰ প্ৰয়োজন নাই। যিখন অসম চাউলুং চুকাফাই কৰিছিল, যিখন বৰ অসম মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কৰিছিল সেই বৰ অসমখন লাগে। গৌৰৱ গগৈয়ে কৰা বৰ অসম আমাক নালাগে।

# যোৰহাটত ভয়ংকৰ বিস্ফোৰণ

মজুত ৰখা সামগ্ৰীসমূহৰ পৰাই সংঘটিত হয় এই বিস্ফোৰণৰ। এই বিস্ফোৰণটো ইমানেই ভয়ংকৰ আছিল যে নুৰ মহম্মদ নামৰ ব্যক্তিজন কোঠাটোৰ পৰা প্ৰায় সাত/আঠ ফুট দূৰত উফৰি পৰে আৰু সমগ্ৰ শৰীৰ ক্ষত বিক্ষত হৈ পৰাৰ লগতে এখন ভৰি ছিগি যায়। তদুপৰি ব্যক্তিজন নৱৈ শতাংশ জুলি যায়। তদুপৰি এই বিস্ফোৰণত দুগৰাকী সাত আৰু আঠ বছৰীয়া শিশু আৰু এগৰাকী মহিলাও আহত হয়। এই বিস্ফোৰণৰ ফলত উফৰি পৰা স্পিটাৰে এখন ৱালৰ বৃহৎ অংশ ক্ষতি কৰাৰ লগতে প্ৰায় ত্ৰিশ ফুট দূৰত থকা আন এটা ঘৰৰ খিৰিকীৰ গ্লাছ পৰ্যন্ত ভাঙি পেলায়। প্ৰাৰম্ভিক অৱস্থাত স্থানীয় ৰাইজে ৰন্ধন গেছৰ চিলিণ্ডাৰ বিস্ফোৰণ হোৱা বুলি সন্দেহ কৰি কৰি ঘটনাস্থলীত উপস্থিত হৈ ততাতৈয়াকৈ নুৰ মহম্মদসহ আহত হোৱাকেইজনক উদ্ধাৰ কৰে যদিও ঘটনাস্থলীতে ব্যক্তিজনৰ মৃত্যু হয় আৰু আহত দুই শিশুসহ মহিলাগৰাকীক যোৰহাট মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰে। কিন্তু চিকিৎসাধীন অৱস্থাতেই ইকবাল হুছেইন নামৰ শিশুটিৰ মৃত্যু হয়। সম্প্ৰতি আঘাতপ্ৰাপ্ত আন এগৰাকী কন্যা শিশু আৰু এগৰাকী মহিলা যোৰহাট মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন হৈ আছে। ইয়াৰে আঘাতপ্ৰাপ্ত কন্যা শিশুটিৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে। এই বিস্ফোৰণ সংঘটিত হোৱাৰ পিছতে আৰক্ষীৰ উচ্চপদস্থ বিষয়া বিস্ফোৰণস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ফৰেনচিক বিশেষজ্ঞৰ পৰীক্ষাৰ পিছতহে এই বিস্ফোৰণৰ প্ৰকৃত কাৰণ জানিব পৰা হ'ব বুলি, জিলা আৰক্ষী অধীক্ষকে জানিবলৈ দিছে। তেওঁ উল্লেখ কৰিছে যে মৃত নুৰ মহম্মদৰ কোনো তথ্য আৰক্ষীৰ হাতত নাই। ব্যক্তিজনে সামগ্ৰীসমূহ সংগ্ৰহ কৰি অনা স্থানসমূহতো অনুসন্ধান চলোৱা হ'ব বুলি উল্লেখ কৰে। নিৰ্বাচনৰ পূৰ্বে যোৰহাটত সংঘটিত এই ঘটনাই জিলাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# বিহপুৰীয়া-ৰঙানদী-ঢকুৱাখনা

নিৰ্মাণ কৰা পুৰণি বৰঅসমখনহে আমাক লাগে। আনহাতে বিহপুৰীয়া সমষ্টিক বাৰ বৈষ্ণৱৰ জন্মভূমি, মহাপুৰুষ মাধৱদেৱ, অনিৰুদ্ধ দেৱৰ পৱিত্ৰ জন্মস্থান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী সভাত কয়- মই আপোনালোকৰ পৰা আশীৰ্বাদ বিচাৰিম। আমি জাতি-মাটি-ভেটি, ৰুটী-মাটি-বেটা ৰক্ষাৰ বাবে যি সংগ্ৰামত নামি পৰিছোঁ, সেই সংগ্ৰামত যেন দুহাত মেলি আপোনালোকে আশীৰ্বাদ দিয়ে। বিহপুৰীয়া সমষ্টি কেৱল সমষ্টি নহয়, ই অসমীয়াৰ স্বাভিমান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়- আমি এনে এখন অসম নিৰ্মাণ কৰিব বিচাৰিছোঁ, যিখন অসমত আমাৰ প্ৰতিগৰাকী অসমীয়া, ভাৰতীয় সনাতনী মানুহ নিৰাপদে থাকে। বিহপুৰীয়া সমষ্টিত মাধৱদেৱ কলাক্ষেত্ৰ, মাধৱদেৱ বিশ্ববিদ্যালয় এনেদৰে নিৰ্মাণ হৈ উঠিব বুলি আমি কল্পনা কৰা নাছিলোঁ। বিহপুৰীয়া সমষ্টিক সম-জিলালৈ ৰূপান্তৰ কৰা হ'ব বুলিও আশ্বাস দি মুখ্যমন্ত্ৰীয়ে কয়- ভূপেন বৰাৰ জয়-পৰাজয়ৰ লগত মোৰ আৰু আপোনালোকৰ মৰমৰ সম্বন্ধ আছে। ভূপেন বৰা জয় কৰাৰ দায়িত্ব আপোনালোকক দিলোঁ। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীয়ে ৰঙানদী সমষ্টিৰ প্ৰাৰ্থী ঋষিৰাজ হাজৰিকাৰ সমৰ্থনত উত্তৰ-পূৰ্বাঞ্চল মহাবিদ্যালয় খেলপথাৰত আয়োজিত দ্বিতীয়খন জনাকীৰ্ণ সভাত অংশগ্ৰহণ কৰে। এই সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে নৱগঠিত ৰঙানদী সমষ্টিৰ কিছু অংশ পূৰ্বতে নাওবৈচা আৰু লখিমপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত আছিল। এই অঞ্চলটোৰ জনসাধাৰণে এতিয়া নিজা বিধায়ক লাভ কৰিব। পূৰ্বৰ কংগ্ৰেছ বিধায়কগৰাকীক অঞ্চলবাসীয়ে কেতিয়াও সাক্ষাৎ লাভ কৰিব পৰা নাছিল। বিজেপিৰ যুৱপ্ৰাৰ্থী ঋষিৰাজ হাজৰিকাৰ জয় হ'লে সমষ্টিটোত উন্নয়নৰ কাম-কাজ চাৰিগুণ বাঢ়িব। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত হোৱা উন্নয়নমূলক কাম-কাজৰ খতিয়ান দাঙি ধৰি কয় যে চৰকাৰে এক লাখ যুৱক-যুৱতীক চৰকাৰী নিযুক্তি প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়াৰ সময়ত বহুতে বিশ্বাস কৰিবলৈ টান পাইছিল। কিয়নো ৰাজ্যত এসময়ত অংগনৱাড়ী কেন্দ্ৰৰ চাকৰি এটা পাবৰ বাবেও উৎকোচ দিব লগা হৈছিল। কিন্তু বিগত ৫ বছৰত বিজেপি চৰকাৰে স্বচ্ছতাৰে ১.৬৫ লাখ যুৱক-যুৱতীক চাকৰি দিছে। ৰঙানদী সমষ্টিক ৰাজ্যৰ ভিতৰতে উল্লেখনীয় সমষ্টিৰূপে গঢ়ি তোলা হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইবাৰ নিৰ্বাচনত কংগ্ৰেছক পূৰ্বতে সদায় ভোট দিয়াসকলে ভোট নিদিয়ে। ইয়াৰ পিছতে ঢকুৱাখনাত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী নৱ কুমাৰ দলেৰ হৈ প্ৰচাৰ চলাই এক নিৰ্বাচনী সভাত কংগ্ৰেছক সমালোচনা কৰি কয়- কংগ্ৰেছৰ দিনত কেৱল সূতা-কম্বল-লুঙী বিলাইছিল। কংগ্ৰেছৰ সূতা-কম্বলৰ ৰাজনীতিৰ পৰা অসম মুক্ত হ'ল। ঢকুৱাখনা সমষ্টি আদৰ্শ সমষ্টিৰূপে গঢ়ি তোলাৰ বাবে বিজেপিক জয়যুক্ত কৰাৰ আহ্বান জনাই মুখ্যমন্ত্ৰীৰ মন্তব্য- বিজেপি পুনৰ ক্ষমতালৈ আহিলে অনুপ্ৰৱেশকাৰী তথা বেদখলকাৰীৰ বিৰুদ্ধে পুনৰ আৰম্ভ হ'ব অভিযান। আমাৰ মাটি, আমাৰ অধিকাৰ, আমাৰ স্বাভিমান এই লক্ষ্যৰে বিজেপিয়ে খিলঞ্জীয়াৰ সুৰক্ষাৰ স্বাৰ্থত কাম কৰি আহিছে। বাংলাদেশী মিঞাক আমি ৰাজনৈতিকভাৱে হাত-ভৰি ভাঙিয়েই বহি নাথাকোঁ। এইবাৰ তেওঁলোকৰ মেৰুদণ্ড ভাঙিম। বাংলাদেশীয়ে কেতিয়াও অসমীয়াক ৰঙাচকু দেখুৱাব নোৱাৰে। ভাষণত তেওঁ পুনৰ কয়- এপইচাও নোলোৱাকৈ ৰাজ্যত বিজেপি চৰকাৰে যোৱাটো কাৰ্যকালত ১.৬৫ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি দিলে। কংগ্ৰেছৰ দিনত এনে এটা চাকৰিৰ বাবে ১০-১৫ লাখ টকা ঘোচ দিব লগা হৈছিল। এইবাৰ বিজেপি চৰকাৰ হ'লে ১০ লাখ যুৱক-যুৱতীক ২ লাখকৈ টকা দিয়া হ'ব আৰু এই ধন তেওঁলোকে ঘূৰাই দিব নালাগে। মুখ্যমন্ত্ৰীৰ ঘোষণা-কোনো ল'ৰা-ছোৱালীৰ পঢ়াৰ খৰচৰ দায়িত্ব মাক-দেউতাকে বহন কৰিব নালাগে। সেই দায়িত্ব মামাৰ। আনহাতে যিসকলে চৰকাৰী ঘৰ পোৱা নাই সেইসকলক ঘৰ দিয়া হ'ব, ৰেচন কাৰ্ডৰ জৰিয়তে এক লিটাৰকৈ বিনামূলীয়া মিঠাতেলো দিয়া হ'ব। নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীয়ে দিচাং-টেকেলিফুটা দলং নিৰ্মাণৰ আশ্বাস দি ইয়াৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰিৰ সৈতে আলোচনা কৰা হ'ব বুলিও উল্লেখ কৰে। ইয়াৰ পিছতেই ৰঙানদীত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে চতুৰ্থখন নিৰ্বাচনী প্ৰচাৰ সভা হিচাপে নাওবৈচা বিধানসভা সমষ্টিত আয়োজিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰীয়ে। হৰিপুৰ শংকৰদেৱ শিশু নিকেতন খেলপথাৰত আয়োজিত মিত্ৰজোটৰ প্ৰাৰ্থী বসন্ত দাসৰ সমৰ্থনত আয়োজিত সভাখনত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়- নাওবৈচাত বসন্ত দাসৰ জয় হ'লে ভৱিষ্যতে বানপানীৰ বাবে সমষ্টিবাসীয়ে চকু টুকিব লগা নহ'ব। নাওবৈচা সমষ্টিত নতুনকৈ ১০ হাজাৰ মহিলাক অৰুণোদয় আঁচনিত সামৰি লোৱা হ'ব বুলি প্ৰতিশ্ৰুতি দি মুখ্যমন্ত্ৰীয়ে নাওবৈচাৰ ওমপ্ৰকাশ দিনোদিয়া মহাবিদ্যালয় স্নাতক বিজ্ঞান শাখা প্ৰৱৰ্তন, লখিমপুৰ-কমলাবাৰী পথ অসম মালা আঁচনিৰ অধীনত উন্নীতকৰণ, তেলীয়াপথাৰৰ পৰা ধূনাগুৰিলৈ মথাউৰিৰ ওপৰেৰে পথ নিৰ্মাণ, আজাদত এখন ষ্টেডিয়াম নিৰ্মাণ, গড়শিঙাত মহাবিদ্যালয় স্থাপন, শিংৰা নৈ আৰু লোহিত-খাবলুৰ ওপৰত দলং নিৰ্মাণকে ধৰি কেইবাটাও প্ৰতিশ্ৰুতি প্ৰদান কৰে। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীয়ে লখিমপুৰ বিধানসভা সমষ্টিৰ বান্তৌৰ পৰা ত্যাগ ক্ষেত্ৰলৈ এক বিশাল ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

# ENGLISH NEWS SECTION

## Governor interacts with youth participants under Ashtalakshmi Darshan, 2026 Youth Exchange programme



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya interacted with 44 nos.of youth participants from Chhatisgarh and New Delhi under "Ashtalakshmi Darshan, 2026 Youth Exchange programme being sponsored by the Ministry of Development of North Eastern Region (DoNER) at Lok Bhawan. Interacting with the youth participants the Governor dwelt on the rich tradition and culture of the eight North Eastern states especially on Assam. The Governor said that India's strength lies in its youth, whose energy and values can shape future of the nation. The Governor emphasized the importance of national unity, discipline and a strong sense of responsibility among youths. Encouraging the students to actively participate in nation-building, he urged them to adopt the spirit of "Rashtra Bhav" and "Rashtra Sewa". The Governor highlighted that such exchange programmes plays a pivotal role in promoting cultural understanding and strengthening bonds between different regions of the states. He called upon the youth participants to share their experience with their friends and family members. He termed Assam as "Mini India" for its unique cultural, ethnic, linguistic and religious diversity. The Governor felicitated the youth participants with a Fulam Gamocha and an inspiring book.

## MS Dhoni ruled out of first 2 weeks of IPL 2026 due to injury



RB News: Chennai Super Kings have suffered a major setback as their star wicketkeeper-batter MS Dhoni has been ruled out for two weeks due to a calf strain. CSK released a statement confirming the development.The 44-year-old is currently undergoing rehabilitation for a calf strain. "MS Dhoni is currently undergoing rehabilitation for a calf strain. As a result, he is likely to miss the first two weeks of TATA IPL 2026. Get well soon, Thala!," CSK said. CSK will open their IPL 2026 campaign against RR at Barsapara Stadium in Guwahati on Monday.

## Carolina Marin retires at 32



RB News: 2016 Olympic gold medallist and three-time World Champion Carolina Marin has announced her retirement at 32 from professional badminton, bringing the curtain down on a remarkable career. In an emotional social media video, she confirmed she will not compete in the European Championships in Huelva despite a wild card, citing the risk of aggravating her recurring knee injuries. Marin expressed regret at not ending her career on court but said she stands by her decision to prioritise her long-term health."Today I want to be direct. My path in professional badminton has ended, and therefore I will not participate in the European Championships of Huelva," she said.

## IPL 2026 full league stage schedule announced




RB News: The BCCI on Thursday announced the schedule for the second phase of IPL 2026, completing the full league stage fixtures. Matches in the second phase will be held in Bengaluru, Mumbai, Chennai, Kolkata, Delhi, Ahmedabad, Hyderabad, Lucknow, Jaipur, Dharamsala, Raipur and New Chandigarh. The venues for the payoffs will be announced at a later date, the BCCI said.

## RCB defeat SRH in IPL 2026 opener



RB News: Defending champions RCB defeated SRH by six wickets in IPL 2026 opener at M Chinnaswamy Stadium in Bengaluru. RCB recorded their second-highest successful IPL run chase at Chinnaswamy Stadium, chasing down 202-run target in 15.4 overs. Virat Kohli slammed his 72nd fifty-plus score in IPL, top-scoring for RCB with 69*(38). SRH stand-in captain Ishan Kishan scored 80(38) in the match.

## 'Top Gun' actor James Tolkan passes away at 94




RB News: James Tolkan, best known for 'Top Gun', 'Miami Vice' and 'Back to the Future' franchise, has passed away aged 94. In his career spanning over five decades, he first appeared in 1960 series 'Naked City' and last starred in 'Bone Tomahawk' in 2015. Tolkan, who first joined US Navy, attended acting school after he was discharged due to a health condition. The veteran actor passed away on Friday at his home in Saranac Lake, New York. No official cause of his passing was shared with the public. James Tolkan is survived by his wife, Parmelee Welles.

## Hardik Pandya gifts 10,000 each to Wankhede ground staff



RB News: India all-rounder and MI captain Hardik Pandya gifted 10,000 each to ground staff at Mumbai's Wankhede Stadium for their assistance during his preparation for T20 World Cup 2026. Notably, Pandya had utilised Wankhede Stadium for night-time practice sessions that frequently extended until 12:00 am ahead of the tournament. Following a period where the cricketer trained at the iconic Mumbai venue often until midnight, Pandya returned on Thursday to personally thank the Mumbai Cricket Association (MCA) workers.

# অপেক্ষা



**দৰিনা পায়ুন, মাজুলী**

বহাগ আহিল। গাঁৱৰ পথবোৰে নতুন সুৱাস পালে। গছত কপৌ ফুল ফুলিল, ঢোল-পেঁপাৰ মাতো বতাহত বিয়পি পৰিল। কিন্তু নিজৰাৰ মনটো আজি অলপ নিৰৱ। প্ৰতিটো বহাগত যিজনে তাইক প্ৰথম "ৰঙালী বিহুৰ শুভেচ্ছা" জনাইছিল, এইবাৰ তেওঁ নাই। ম'বাইলটো হাতত লৈ তাই বহু সময় চুপ-চাপেৰে বহি থাকিল।

হঠাৎ এটা মেছেজ আহিল- "বহাগ আহিছে, কিন্তু তোমাৰ হাঁহিটো নাথাকিলে ৰংবোৰ আধৰুৱা লাগে।"

নিজৰাই অলপ হাঁহিলে। কাৰণ তাই বুজিলে-কিছুমান মানুহ দূৰত থাকিলেও, বহাগৰ দৰে প্ৰতিবছৰে হৃদয়ত উভতি আহে।

# ব্যৰ্থতাৰ পৰা জীৱনৰ শিক্ষা




৬লী ফুকন, লখিমপুৰ

মানুহৰ জীৱন এক দীঘলীয়া যাত্ৰা। এই যাত্ৰাত মানুহে কেতিয়াবা সফলতা লাভ কৰে আৰু কেতিয়াবা ব্যৰ্থতাৰ সন্মুখীন হয়। বহুতে ব্যৰ্থতাক ভয় কৰে বা ইয়াক জীৱনৰ শেষ বুলি ভাবে। কিন্তু বাস্তৱতে ব্যৰ্থতা জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ অংশ। ব্যৰ্থতাৰ মাজৰ পৰাই মানুহে বহু মূল্যবান শিক্ষা লাভ কৰে। এই শিক্ষাবোৰেই মানুহক আগলৈ সফলতাৰ দিশে আগবঢ়াই নিয়ে।

ব্যৰ্থতা মানে কেৱল হেৰুওৱা বা পৰাজয় নহয়। ব্যৰ্থতা হৈছে এক অভিজ্ঞতা, যাৰ পৰা মানুহে নিজৰ ভুলসমূহ বুজিবলৈ পাৰে। যেতিয়া মানুহে কোনো কামত সফল নহয়, তেতিয়া তেওঁ চিন্তা কৰে যে ক'ত ভুল হৈছিল আৰু কিদৰে সেই ভুলবোৰ শুধৰাব পাৰি। এই চিন্তাই মানুহক অধিক সচেতন আৰু শক্তিশালী কৰি তোলে।

ইতিহাস চালে দেখা যায় যে বহু বিখ্যাত ব্যক্তি প্ৰথমতে বহু বাৰ ব্যৰ্থ হৈছিল। কিন্তু তেওঁলোকে ব্যৰ্থতাৰ আগত হাৰ মনা নাছিল। তেওঁলোকে সেই ব্যৰ্থতাৰ পৰা শিক্ষা লৈ পুনৰ চেষ্টা কৰিছিল। ফলস্বৰূপে তেওঁলোকে শেষত সফলতা লাভ কৰিছিল। এই উদাহৰণবোৰে আমাক শিকায় যে ব্যৰ্থতা কেতিয়াও জীৱনৰ অন্ত নহয়; ই হৈছে নতুন আৰম্ভণিৰ পথ।

ব্যৰ্থতাৰ আন এটা গুৰুত্বপূৰ্ণ শিক্ষা হৈছে ধৈৰ্য্য আৰু সহনশীলতা। জীৱনত সকলো কাম সহজে লাভ নোহোৱাও পাৰে। কেতিয়াবা লক্ষ্যত উপনীত হ'বলৈ বহু পৰিশ্ৰম আৰু ধৈৰ্য্যৰ প্ৰয়োজন হয়। ব্যৰ্থতাৰ সন্মুখীন হৈ মানুহে ধৈৰ্য্য ধৰি আগবাঢ়িবলৈ শিকে। এই গুণবোৰ মানুহৰ জীৱনত সফলতা লাভ কৰিবলৈ অতি প্ৰয়োজনীয়।

ইয়াৰ উপৰিও ব্যৰ্থতাই মানুহক নম্ৰতা শিকায়। যেতিয়া মানুহে ব্যৰ্থতা অনুভৱ কৰে, তেতিয়া তেওঁ উপলব্ধি কৰে যে জীৱনত সকলো সময়ে সফলতা লাভ কৰা সহজ নহয়। এই উপলব্ধিয়ে মানুহক অধিক বিনয়ী আৰু বাস্তৱবাদী কৰি তোলে। ফলস্বৰূপে তেওঁ নিজৰ সীমাবদ্ধতা বুজি আগলৈ আগবাঢ়িবলৈ চেষ্টা কৰে।

আনহাতে, ব্যৰ্থতাৰ অভিজ্ঞতাই মানুহক অধিক শক্তিশালী আৰু আত্মবিশ্বাসী কৰি তোলে। যিজনে জীৱনত ব্যৰ্থতা দেখি উঠিছে, তেওঁ আগলৈ নতুন সমস্যাৰ সন্মুখীন হ'বলৈ অধিক সাহস পায়। কাৰণ তেওঁ জানে যে চেষ্টা অব্যাহত ৰাখিলে এদিন সফলতা লাভ কৰা সম্ভৱ।

ব্যৰ্থতা জীৱনৰ এক অমূল্য শিক্ষক। ই মানুহক বহু গুৰুত্বপূৰ্ণ শিক্ষা দিয়ে আৰু আগলৈ আগবাঢ়িবলৈ উৎসাহ যোগায়। সেয়ে ব্যৰ্থতাক ভয় নকৰাকৈ ইয়াৰ পৰা শিক্ষা লোৱা উচিত। যিজনে ব্যৰ্থতাৰ পৰা শিক্ষা ল'ব পাৰে, তেওঁহে শেষত সফলতাৰ শিখৰত উপনীত হ'ব পাৰে।

ব্যৰ্থতাৰ পৰা মানুহে আত্মবিশ্লেষণ কৰিবলৈ শিকে। যেতিয়া কোনো কামত সফলতা নাহে, তেতিয়া মানুহে নিজৰ কাম-কাজ আৰু সিদ্ধান্তবোৰ পুনৰ চিন্তা কৰে। এই আত্মবিশ্লেষণৰ জৰিয়তে তেওঁ নিজৰ শক্তি আৰু দুৰ্বলতাবোৰ চিনাক্ত কৰিব পাৰে। ফলস্বৰূপে আগন্তুক সময়ত তেওঁ অধিক সচেতনভাৱে কাম কৰিবলৈ শিকে আৰু আগৰ ভুলবোৰ পুনৰ নকৰিবলৈ চেষ্টা কৰে।

আগলৈ...

# বিশ্ববাসীৰ সন্মুখত

ঠাইৰ পৰা এই জন্মভূমিৰ মাটিতে থাকি কাম কৰিম বুলি ঢাপলি মেলিছিল।

তেখেতৰ দৰে ব্যক্তি এগৰাকী অৰ্থাৎ এনে এক উচ্চ পৰ্যায়ৰ সম্পদক আমি এনে দুৰ্ভাগ্যজনক পৰিস্থিতিত হেৰুৱাব লগীয়া হোৱাটো বহুত দুখৰ কথা। এনে এক সম্পদক আমি বৰ দুখেৰে বিদায় দিবলগীয়া হ'ল। সচাঁ কথা এটা এইখিনিতে উল্লেখ কৰিবলগীয়া হৈছে যে বহুতে জীৱিত অৱস্থাত জুবিন গাৰ্গক ইমান মূল্যৱান ৰত্ন বুলি উপলব্ধি কৰিব পৰা নাছিল। তেখেতৰ গান শুনিছিল, বিহু মঞ্চত কেতিয়াবা তেওঁৰ অনুষ্ঠান শুনিছিল, সিমানেই। এটা বয়সৰ লোকে আকৌ ভাবিছিল যে যুৱ প্ৰজন্মৰ উপযোগীকৈ অথবা তেওঁলোকৰ মনত ভাল লগাকৈ গান গোৱা এগৰাকী গায়ক তেওঁ। বহুতেই ভাবিছিল তেওঁ এগৰাকী খেয়ালী মনৰ মানুহ। সচাঁ অৰ্থত ক'বলৈ হ'লে তেওঁ আঁতৰি যোৱাৰ পিছতহে এচাম লোকে তেখেতৰ গুৰুত্ব উপলব্ধি কৰিবলৈ ল'লে। নিজৰ মনতে বৰ দুখ অনুভৱ হয় সকলো মানুহে যদি জুবিন দা কেনেধৰণৰ এক সুকীয়া সত্তা আছিল সেই কথাখিনি আগতেই উপলব্ধি কৰিব পাৰিলেহেঁতেন হয়তো আমি জুবিন দাক ইমান অকালতে বিদায় দিবলগীয়া নহ'লহেঁতেন। এচাম সুবিধা বাদীয়ে নিজৰ স্বাৰ্থৰ হকে জুবিন দাক সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰিলে আৰু প্ৰয়োজন শেষ হোৱাৰ লগে লগে দলিয়াই পেলাই দিলে। অপ্ৰিয় হলেও সত্য যে জুবিন দাৰ এই ঘটনাই আমাৰ সমাজত সচাঁ চিত্ৰ এখনকে প্ৰকাশ কৰিলে। আমাৰ সমাজত এনেধৰণৰ ঘটনা ঘটি থাকে আৰু বহু ঘটনা অপ্ৰকাশ্য হৈ ৰৈ যায়। সেয়েহে জুবিন দাৰ এই ঘটনাই আমাৰ সমাজৰ সচাঁ চিত্ৰ কিছুমান উদঙাই দেখুৱালে। জুবিন দা আজি কায়িকভাৱে আমাৰ মাজৰ পৰা হেৰাই গ'ল। কিন্তু এইটোও ঠিক যে তেওঁ আমাৰ মানুহৰ মৰম, আন্তৰিকতাৰ মাজত চিৰকাল জীয়াই থাকিব। মানুহৰ মৰমে তেওঁক জীয়াই ৰাখিব চিৰদিন। মানুহে গোট হৈ জুবিন দাক জীয়াই ৰাখিবলৈ বহুত কিবাকিবি কৰিব কিন্তু ইয়াৰ সমান্তৰাল ভাৱে আমি জুবিন দাৰ ন্যায়ৰ বাবে সদায় মাত মাতিম। জুবিন দাৰ এই দুৰ্ভাগ্যজনক ঘটনাৰ ন্যায় প্ৰদান কৰিবই লাগিব। এই ক্ষেত্ৰত আমাৰ চৰকাৰে যিমান পাৰি সহায় সহযোগিতা আগবঢ়াব লাগিব। প্ৰয়োজনীয় তথ্য প্ৰমাণ যাতে আমাৰ ন্যায়িক ব্যৱস্থাপনাটোক সময়মতে যোগাৰ ধৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব। চৰকাৰৰ সত্তাৰ থাকিলে এই ন্যায় প্ৰদানৰ প্ৰক্ৰিয়াটো সহজ হৈ উঠিব বুলি আমি সকলোৱে আশা কৰোঁ। মুঠতে জুবিন দাৰ দৰে এগৰাকী মানৰ দৰদী ব্যক্তিৰ এই দুৰ্ভাগ্যজনক ঘটনাৰ ন্যায় আমাৰ ৰাজ্যবাসীক লাগিবই। ইয়াৰ লগে লগে জুবিন দাৰ সৃষ্টি কৰ্ম সমূহক কিদৰে জীয়াই ৰাখিব পাৰি সেইক্ষেত্ৰতো চৰকাৰে পৰিকল্পিতভাৱে চিন্তা চৰ্চা কৰাক। আমি সকলোৱে এই সকলোৰে এক নিৰ্ভৰযোগ্য সদুত্তৰ পাম বুলি আশাৰে বাট চাই আছোঁ।

# জ্যোতি বিহীন শলিতা



**নিৰঞ্জন ঠেঙাল,গোলাঘাট**

জনা নজনাৰ সময়!
বয়সৰ অংক
চিংগল শাৰীত থাকোতেই হৃদয়ৰ
কোনোবা এটা কোণত ফুলিছিৰ এপাহ বনফুল।।
নাজানো কি আছিল!
সেয়া অনুভৱ, কিম্বা
সম্পৰ্কটিৰ সংজ্ঞা, কিন্তু...
বিশেষ আছিল।
এটি মন জিকিব পৰা গীতৰ সুৰ আছিল,
আছিল সিটো জগতৰ অন্যতম,
মূল্যৱান বান্ধোন!
তথাপি সময়ৰ চক্ৰ ঘূৰিল,
স্বাভিমান নামৰ দৈত্যটোৱে
গোটাই গোটাই গিলি গ'ল আমাৰ
বান্ধোন...
ভুল নামৰ সমীকৰণটো আজিও পৰি ৰ'ল,
উত্তৰহীন প্ৰশ্নবোৰ আজি ধূলিৰ সংগী
চেষ্টাৰ সঞ্জিৱনী দূৰতে থমকি ৰ'ল
কাৰণ হেনো —
বিধিৰ জ্ঞানৰো বাহ্যিক।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# সত্য প্ৰেমৰ মূল্য আৰু প্ৰতাৰণাৰ শিক্ষা




**জ্যোতিপ্ৰসাদ দেউৰী, নাৰায়ণপুৰ, লখিমপুৰ**

আজিৰ যুগত প্ৰেমক এটা সুন্দৰ অনুভূতি বুলি কোৱা হয়। কিন্তু যেতিয়া এই প্ৰেমেই প্ৰতাৰণালৈ পৰিণত হয়, তেতিয়া ই মানুহক অন্তৰৰ ভিতৰৰ পৰা ভাঙি পেলায়। এইটো কেৱল এটা ব্যক্তিগত কাহিনী নহয়, বৰং সেই সকলো মানুহৰ অভিজ্ঞতা, যিয়ে সঁচাকৈ ভালপায়, কিন্তু বিনিময়ত পায় কেৱল দুখ।

মোৰ জীৱনতো এনে এটা অধ্যায় আহিছিল। মই এজনী ছোৱালীক প্ৰায় দুবছৰ ধৰি অন্তৰৰ পৰা ভাল পাইছিলোঁ। আমাৰ মাজত গভীৰ মানসিক সম্পৰ্ক গঢ়ি উঠিছিল আৰু আমি ইজনে সিজনৰ লগত বহু মুহূৰ্তকো পাৰ কৰিছিলোঁ। মোৰ উদ্দেশ্য স্পষ্ট আছিল-মই এই সম্পৰ্কক বিয়ালৈ লৈ যাব বিচাৰিছিলোঁ। মই তাইৰ ওপৰত সম্পূৰ্ণ বিশ্বাস কৰিছিলোঁ আৰু মোৰ জীৱনৰ এটা গুৰুত্বপূৰ্ণ অংশ হিচাপে তাইক মানি লৈছিলোঁ। কিন্তু সময়ে মোক এটা কঠিন সত্য দেখুৱালে। মই নজনাকৈয়ে তাই আন এজন ল'ৰাৰ সৈতে সম্পৰ্ক আৰম্ভ কৰিছিল। এই সম্পৰ্ক কেৱল বন্ধুত্বত সীমাবদ্ধ নাছিল, ই ধীৰে ধীৰে গভীৰ হৈ গৈছিল। কেইবামাহ ধৰি এইবোৰ চলি আছিল, আৰু মই একেবাৰে অজ্ঞাত হৈ আছিলোঁ। যেতিয়া এই সত্য মোৰ আগত প্ৰকাশ পালে, তেতিয়া মোৰ বাবে সেই মুহূৰ্তটো অতি কষ্টকৰ হৈছিল।

প্ৰেমত আটাইতকৈ গুৰুত্বপূৰ্ণ বস্তু হৈছে বিশ্বাস। যেতিয়া বিশ্বাস ভাঙে, তেতিয়া সম্পৰ্কৰ ভিত্তি নোহোৱা হৈ পৰে। মই ভাবোঁ যে কোনো এজন ব্যক্তিয়ে কাৰোবাৰ জীৱনৰ পৰা আঁতৰি যোৱাটো সৰ্বাধিক দুখজনক কথা নহয়, বৰং এইটো দুখজনক কথা যে তেওঁলোকে সঁচা কথা লুকুৱাই ৰাখে আৰু এজন মানুহক বিভ্ৰান্ত কৰি ৰাখে। যদি আগতেই স্পষ্টকৈ কৈ দিয়া হ'লহেঁতেন, তেন্তে হয়তো আঘাতটো ইমান গভীৰ নহ'লহেঁতেন।

পিছলৈ মই এইটোও জানিলোঁ যে যিজনৰ বাবে মোক এৰি দিয়া হৈছিল, সেইজনো সঁচা নাছিল। তেওঁ নিজৰ স্বাৰ্থ পূৰণৰ বাবে এই সম্পৰ্কত সোমাইছিল। এই ঘটনাই মোক বুজালে যে ভুল মানুহক বাছনি কৰিলে, তাৰ ফল সদায়েই বেদনাদায়ক হয়।


এই অভিজ্ঞতাৰ পৰা মই বহু কথা শিকিলোঁ। প্ৰথমতে, প্ৰেমত অন্ধবিশ্বাস কৰা উচিত নহয়। বিশ্বাসৰ সৈতে বুদ্ধি আৰু আত্ম-সন্মানো সমান গুৰুত্বপূৰ্ণ। দ্বিতীয়তে, সম্পৰ্কত সততা আৰু স্পষ্টতা অতি প্ৰয়োজনীয়। যদি কোনোবাই আমাৰ মূল্য নাজানে, তেন্তে আমি নিজৰ মূল্য বুজি আগবাঢ়িব লাগিব।

জীৱনত এনে অভিজ্ঞতাই মানুহক ভাঙি পেলায়, কিন্তু একে সময়তে ই মানুহক শক্তিশালীও কৰি তোলে। মই এই ঘটনাৰ পিছত বুজিলোঁ যে নিজৰ সন্মান আৰু মানসিক শান্তি সকলোতকৈ ডাঙৰ। কোনো এজন মানুহৰ বাবে নিজকে হেৰুৱাই পেলোৱাটো উচিত নহয়।

এই প্ৰবন্ধটো কোনো এজন ব্যক্তিক দোষাৰোপ কৰিবলৈ নহয়, বৰং এটা শিক্ষা দিবলৈহে লিখা হৈছে। প্ৰেম সঁচাকৈয়ে সুন্দৰ, কিন্তু সেয়া কেৱল তেতিয়াহে, যেতিয়া দুয়োফালে সমান সততা আৰু বিশ্বাস থাকে। অন্যথা, ই কেৱল এটা দুখজনক অভিজ্ঞতা হৈ থাকে।

শেষত, মোৰ এটা সৰু বাৰ্তা- যদি আপুনি সঁচাকৈ কাৰোবাক ভালপায়, তেন্তে তেওঁক সন্মান দিয়ক আৰু সততাৰে থাকক। আৰু যদি কোনোবাই আপোনাৰ বিশ্বাস ভাঙে, তেন্তে নিজকে শক্তিশালী কৰি আগবাঢ়ি যাওক। জীৱনত আগলৈ সদায়ে ভাল কিবা অপেক্ষা কৰি থাকে।

# প্ৰকৃত বন্ধু



**গিতালী ভৰালী,ডিব্ৰুগড়**

বন্ধু বুলি কলেই সততে এটা কথাই মনলৈ আহে বিশ্বাস, অকৃত্ৰিম ভালপোৱা, বন্ধু হৈছে হৃদয়েৰে কোৱা ভাষা উকা কাগজত লিখা কোনো কবিতা নহয়।

মানুহৰ জীৱনৰ মূল্যবান উপহাৰ হল বন্ধুত্ব যত থাকে বিশ্বাস আন্তৰিকতা, সহায় সহযোগিতাৰে ভৰা নিভাঁজ সম্পৰ্ক যাক আমি সকলো কথা কব পাৰো দুখ বোৰক আধা আধা কৈ ভগাই লব পাৰো, বন্ধুত্ব মনেই উৎসাহ প্ৰেৰণাৰ প্ৰতীক।

মন কৰিব চোন কিছুমান মানুহৰ বহুত বন্ধু থাকে আৰু কিছুমানৰ বন্ধুৰ সংখ্যা তেনেই কম। কিন্তু যাৰ কাষত হেজাৰ বন্ধু থকাৰ পাছতো অসহায় সময়ত এজন বন্ধু নুলাই তেওঁ কোনো দিনেই প্ৰকৃত বন্ধু পোৱাৰ সক্ষম হোৱা নাই আৰু যদি সেই হেজাৰ বন্ধুৰ মাজত এজনেই আপোনাৰ ভাল বেয়া প্ৰঞ্জতিটো দিনত আপোনাৰ কাষত আছে যাক আপুনি চকু মুদি বিশ্বাস কৰিব পাৰে তেওঁহে আপোনাৰ প্ৰকৃত বন্ধু।

আচলতে আপুনি তেওঁৰ লগত বন্ধুত কৰক যিয়ে আপোনাৰ প্ৰঞ্জতিটো খোজত আপোনাক নিৰাশ নকৰে, আপোনাৰ সৰু সৰু কথা বোৰত উপহাস নকৰে।

আপুনি তেওঁৰ লগত হাত মিলাওক যিয়ে আপোনাৰ মূল্য বুজি পায়, আপোনাৰ উপস্থিতিত সুখী হয়।

এটা কথা মন কৰিব আপোনাৰ বিফলতাৰ যদি কোনো বন্ধুৱে কয় এস্বস্বস্বহঃ তই বৰ দুৰ্বল, অৰ্থহীন তই, কি কৰিব পাৰিবি তই, তই চোন এনেকুৱা ইত্যাদি ইত্যাদি, তেতিয়াহলে আপুনি বুজিব যে তেনে বন্ধু আপোনাৰ ভৱিষ্যত হব নোৱাৰে।

কিন্তু যি জনে আপোনাৰ বিফলতাত আপোনাৰ হাতত ধৰি দুখোজ আগুৱাই যাবলৈ প্ৰেৰণা দিব আৰু তেওঁ আপোনাক কব যে একো নাই বন্ধু এবাৰ হে বিফল হৈছে তই পাৰিবি বিফলতাই এদিন সফলতা নিশ্চয় আনিব।এনে এজন বন্ধুক কিন্তু জীৱনত কেতিয়াও নেহেৰুৱাব ।

এক কথাত কব গলে প্ৰকৃত বন্ধু সেইজন হে যি জনে আপোনাৰ অতীত পাহৰাই বৰ্তমান নতুনকৈ খোজ দিব শিকাই।

# তেজস্বিনী নাৰী



**ৰশ্মি ৰেখা দুৱৰা,ডিব্ৰুগড়**

মনৰ মাজত অহৰহ ধুমুহা লৈ
আগবাঢ়ি যাব পৰা এক শক্তি,
সমস্ত লুকুৱাই ৰখাৰ প্ৰচেষ্টা
জয়ী হোৱাৰ কামনা।
নাৰী দয়ালু, মমতাময়ী, জীৱন-দায়িনী
নাৰী ভীৰু অবলা নহয়
পৰিস্থিতি সতে মোকাবিলা কৰি
যুঁজ দিয়া জাগ্ৰত নাৰী।
চাৰিওফালে নাৰী নিৰ্যাতন
সুৰক্ষাৰ কোনো নাম নাই,
শোষিতৰ সতে যুঁজ দিয়া
মই সাহসী তেজস্বিনী নাৰী।
আজিৰ নাৰী জাগি উঠিছে
ৰক্ষণশীল সমাজৰ শিকলি খুলি
নাৰীয়ে সাহসৰ প্ৰতীক হৈ
নাৰী শক্তি জগাই তুলিছে।
দানৱ ৰূপী মানৱক নাশি
মুকলি আকাশত ফুৰিব নাৰী
নাৰীয়ে সৰ্বেসৰ্বা
নাৰী অৰ্ধ আকাশ।

# নিৰ্মলতা আৰু সত্যৰ সন্ধান



**দেৱানন কটকী, মাজুলী**

আশ্ৰমখন বহুত পুৰণা। তথাপিও নতুন নতুন শিষ্য এতিয়াও আহি থাকে। কিন্তু পূৰ্বৰ দৰে মহান ত্যাগী পণ্ডিতসকল লাহে লাহে নাইকিয়া হৈ গৈছে। সময়ৰ পৰিৱৰ্তনৰ লগত সকলো যেন সলনি হৈছে। পুৰাতন নীতিশিক্ষা আৰু আদৰ্শসমূহ এৰি আধুনিকতাৰ প্ৰভাৱত মানুহে নতুন পথ বাছি লৈছে।

চন্দন আৰু তাৰ বন্ধু মহাবীৰে উজ্জয়িনিলৈ যোৱাৰ পথত এই আশ্ৰমখন প্ৰত্যক্ষ কৰিলে। মাটিৰে সজা কোঠালীবোৰ ভাঙি- চিঙি গৈছে, বেৰৰ পৰা মাটি খহি পৰিছে। আগতে আশ্ৰমখন সমৃদ্ধ আছিল বুলি বহু চিন পোৱা যায়। মোগল আক্ৰমণৰ পাছত ই প্ৰায় নিঃশেষ হৈছিল যদিও পিছত পুনৰ নিৰ্মাণ কৰা হৈছিল। তথাপিও এতিয়াও ইয়াৰ অৱস্থা বিশেষ ভাল নহয়।

সিহঁতে আশ্ৰমখন চাৰিওফালে ঘূৰি চালে আৰু ইয়াৰ বিষয়ে অধিক জানিবলৈ আগ্ৰহী হ'ল। কিছুদূৰ গৈ সিহঁতে এজন বয়সস্থ ব্যক্তিক দেখিলে। তেওঁ এজোপা গছৰ তলত বহি সৰু সৰুকৈ মন্ত্ৰ জপ কৰি আছিল। তেওঁৰ বয়স প্ৰায় সত্তৰ বছৰৰ ওপৰত হলেও মুখত এক অদ্ভুত উজ্জ্বলতা দেখা গৈছিল-যেন অদৃশ্য আধ্যাত্মিক শক্তিৰ প্ৰভাৱ। তেওঁক দেখি সিহঁতৰ মন হঠাৎ শান্ত আৰু আধ্যাত্মিক হৈ পৰিল।

সিহঁতে তেওঁৰ ওচৰলৈ গৈ কথা পাতিবলৈ চেষ্টা কৰিলে। ব্যক্তি জনে হাঁহি ক'লে- "কি বিচাৰিছা? মই জানো তোমালোকক কিবা পথ দেখুৱাব পাৰিম।"

প্ৰথমে অলপ ভয় ভাব আহিছিল যদিও সিহঁতৰ ভয় কমি গ'ল আৰু মুক্ত মনেৰে আশ্ৰমখনৰ লগতে তেওঁৰ বিষয়েও সুধিলে। ব্যক্তি জনে আশ্ৰমখনৰ পুৰণি ইতিহাস ক'লে আৰু লগতে বৰ্তমান সমাজৰ অৱক্ষয়ৰ কথাও বৰ্ণনা কৰিলে। তেওঁ ক'লে যে সনাতন পৰম্পৰাই মানুহক শুৱনি জীৱন যাপন শিকায়, কিন্তু আধুনিকতাৰ মোহত মানুহে সেইবোৰ এৰি নিজৰ কৰ্তব্য পাহৰি গৈছে। এই কথাবোৰে সিহঁতৰ অন্তৰ গভীৰভাৱে স্পৰ্শ কৰিলে।


তাৰ পিছত ব্যক্তি জন আঁতৰি গ'ল, কিন্তু তেওঁৰ কথাবোৰ সিহঁতৰ মনত গভীৰ প্ৰভাৱ পেলালে । সিহঁতে অনুভৱ কৰিলে যে অন্ধভাৱে পাশ্চাত্য সংস্কৃতি অনুসৰণ কৰি মানুহে নিজক ধ্বংসৰ দিশে লৈ গৈ আছে। নিজৰ সংস্কৃতি গ্ৰহণ কৰিবলৈ সংকোচ কৰা সকলে, অন্য উন্নতমানৰ সংস্কৃতিৰ নামত ব্যভিচাৰ, অন্যান্য অপ কৰ্মত লিপ্ত হৈছে।সিহঁত যেন লাহে লাহে এই পুৰাতন পৰম্পৰাৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল।

সিহঁতে আশ্ৰমত কিছুদিন থাকি সেই সৰল জীৱন অনুভৱ কৰিবলৈ সিদ্ধান্ত ল'লে। কেইদিনমান পাছত সিহঁতে দেখিলে যে বহু লোক এক অচিন বেমাৰত আক্ৰান্ত হৈছে। সিহঁতেও সেই বেমাৰত পৰিল। কিন্তু একে সময়তে এজন পঁচিছ বছৰীয়া যুৱক একেবাৰে সুস্থ আছিল।

জানিব পৰা গ'ল যে সেই যুৱকজন জন্মৰে পৰা ব্ৰহ্মচাৰী (নৈষ্ঠিক ব্ৰহ্মচাৰী) আৰু কঠোৰ নিয়ম মানি চলে। আনসকলৰো যিসকলে লাহে লাহে ব্ৰহ্মচৰ্য পালন কৰিছিল, তেওঁলোকৰ বেমাৰ সোনকালে ভাল হৈছিল। কিন্তু চন্দন আৰু মহাবীৰৰ বেমাৰ ভাল হ'বলৈ বহুত সময় লাগিল।

এই অভিজ্ঞতাই সিহঁতক গভীৰভাৱে সলনি কৰিলে। সিহঁতে বুজি পালে যে আধুনিকতাৰ নামত জীৱনৰ মূল আদৰ্শ হেৰুৱাই পেলোৱাটো ভুল। পুৰাতন পৰম্পৰা, পবিত্ৰ চিন্তা, শুদ্ধ আহাৰ আৰু সৎ জীৱনশৈলীয়ে মানুহক সত্য, শান্তি আৰু সুস্থতা দিয়ে।

# সময়ৰ সোঁতত




**কৰবী দাস,কামৰূপ গ্ৰাম্য**

দেউতাক হেৰুৱাৰ দিনা
মায়ে হিয়া ঢাকুৰি কন্দা দেখিছিলোঁ;
বুকুখন মোৰো বিষাই উঠিছিল।
তেতিয়া বুজা নাছিলোঁ-
মানুহ হেৰুৱাৰ বিষ কিমান গভীৰ।
এতিয়া সময়ৰ সোঁতত হেৰাই যোৱা কাহিনীবোৰে
সেই কথাই মোক বুজাই দিয়ে।
আইতাৰ গালৰ সোঁতোৰা চাই
মনত বহু স্মৃতি জাগে;
মনটো তেতিয়া সোঁতোৰা হয়,
যেতিয়া হৃদয়খন
বাৰম্বাৰ জীৱনৰ ঠেকা খায়।
মোৰ শৈশৱ-
কেতিয়াবা মই ঘূৰি ফুৰো বিচাৰি
সেই নিষ্পাপ মুখখন।
উভতি আহি আইনা খন চাওঁতে দেখোঁ-
মোৰ নিজৰ মাজতেই
নিশব্দে হেৰাই গৈছে
মোৰ লৰালি।

# সপোন দেখা আৰু সপোন পূৰণৰ চেষ্টা

**কানুপ্ৰিয়া ডেকা, বৰপেটা,হাউলী**

মানুহৰ জীৱনত সপোন এক বিশেষ শক্তি। সপোন মানে কেৱল নিদ্ৰাত দেখা কল্পনা নহয়; সপোন মানে জীৱনৰ লক্ষ্য, আশা আৰু আগবাঢ়ি যোৱাৰ প্ৰেৰণা। মানুহে সপোন দেখাৰ দ্বাৰাই নিজৰ জীৱনক নতুন অৰ্থ দিয়ে। সপোন নাথাকিলে মানুহৰ জীৱন যেন দিশহীন হৈ পৰে। সেয়েহে কোৱা হয়- সপোনেই মানুহক আগবাঢ়িবলৈ সাহস দিয়ে আৰু নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰে।



প্ৰত্যেক মানুহৰ জীৱনত কিবা নহয় কিবা সপোন থাকে। কোনোবাই এজন ভাল শিক্ষক হ'বলৈ সপোন দেখে, কোনোবাই বিজ্ঞানী, লেখক, শিল্পী বা সমাজসেৱক হ'বলৈ সপোন দেখে। এই সপোনবোৰেই মানুহৰ জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰে। যি মানুহে সপোন দেখে, তেওঁলোকে জীৱনত কিবা এটা কৰাৰ ইচ্ছা ৰাখে। কিন্তু কেৱল সপোন দেখিলেই নহ'ব; সেই সপোন পূৰণ কৰিবলৈ প্ৰচেষ্টা আৰু অধ্যৱসায়ো প্ৰয়োজন।

সপোন দেখা মানে জীৱনৰ দিশ নিৰ্ধাৰণ কৰা। সপোনেই মানুহক আগুৱাই লৈ যায়। যেতিয়া মানুহে নিজৰ জীৱনৰ বাবে এক লক্ষ্য নিৰ্ধাৰণ কৰে, তেতিয়া তেওঁ সেই লক্ষ্য পূৰণৰ বাবে চেষ্টা আৰম্ভ কৰে। এই চেষ্টা কেতিয়াবা সহজ নহয়। বহু বাধা-বিঘিনি, অসুবিধা আৰু ব্যৰ্থতা আহে। কিন্তু যি মানুহে নিজৰ সপোনৰ ওপৰত বিশ্বাস ৰাখে আৰু ধৈৰ্য্যৰে চেষ্টা কৰি থাকে, তেওঁ শেষত সফলতা লাভ কৰিব পাৰে।

ইতিহাস লক্ষ্য কৰিলে দেখা যায় যে বহু মহান ব্যক্তিত্বৰ সফলতাৰ পিছত সপোন আৰু কঠোৰ পৰিশ্ৰম আছে। তেওঁলোকে প্ৰথমে এটা সপোন দেখিছিল, তাৰ পিছত সেই সপোন বাস্তৱ কৰিবলৈ বহু কষ্ট আৰু চেষ্টা কৰিছিল। কেতিয়াবা তেওঁলোকে ব্যৰ্থতাও সন্মুখীন হৈছিল, কিন্তু তেওঁলোকে হতাশ নহৈ পুনৰ চেষ্টা কৰিছিল। এই দৃঢ়তা আৰু অধ্যৱসায়েই তেওঁলোকক সফলতাৰ পথত আগুৱাই লৈ গৈছিল।

মানুহৰ জীৱনত সপোন দেখা অত্যন্ত গুৰুত্বপূৰ্ণ। সপোনে মানুহৰ মনত আশা জগাই তোলে। জীৱনৰ কঠিন সময়তো সপোন মানুহক আগুৱাই যাবলৈ সাহস দিয়ে। যেতিয়া মানুহে নিজৰ লক্ষ্যৰ কথা ভাবে, তেতিয়া তেওঁৰ মনত নতুন শক্তি জন্ম লয়। সেয়েহে সপোন হৈছে জীৱনৰ এক শক্তিশালী প্ৰেৰণা।

কিন্তু কেতিয়াবা দেখা যায় যে বহু মানুহে সপোন দেখাৰ পিছতো সেই সপোন পূৰণৰ বাবে যথেষ্ট চেষ্টা নকৰে। তেওঁলোকে সহজে হতাশ হৈ পৰে আৰু নিজৰ লক্ষ্যৰ পৰা আঁতৰি যায়। সেয়েহে সপোন পূৰণৰ বাবে অধ্যৱসায় আৰু ধৈৰ্য্য অতি প্ৰয়োজনীয়। কোনো কাম একে দিনতে সফল নহয়। সফলতা লাভ কৰিবলৈ সময়, পৰিশ্ৰম আৰু নিষ্ঠা লাগে।

শিক্ষাৰ ক্ষেত্ৰতো সপোনৰ গুৰুত্ব অধিক। এজন শিক্ষাৰ্থীৰ জীৱনত সপোন থাকে- ভাল ফলাফল লাভ কৰা, নিজৰ পছন্দৰ ক্ষেত্ৰত সফল হোৱা বা সমাজত সন্মানজনক স্থান লাভ কৰা। এই সপোনবোৰেই তেওঁক অধিক মনোযোগেৰে পঢ়িবলৈ উৎসাহ দিয়ে। যেতিয়া এজন শিক্ষাৰ্থী নিজৰ লক্ষ্য স্পষ্টভাৱে নিৰ্ধাৰণ কৰে, তেতিয়া তেওঁৰ পথো সহজ হৈ উঠে।

আজিৰ আধুনিক যুগত যুৱ সমাজৰ মাজত বিভিন্ন ধৰণৰ সপোন দেখা যায়। কোনোবাই বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত নতুন কিছুমান সৃষ্টি কৰাৰ সপোন দেখে, কোনোবাই সাহিত্য আৰু কলাৰ ক্ষেত্ৰত সফল হ'বলৈ চেষ্টা কৰে। সমাজৰ বিভিন্ন ক্ষেত্ৰত নতুন নতুন সম্ভাৱনা সৃষ্টি হৈছে, আৰু এই সম্ভাৱনাবোৰ বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত যুৱ সমাজৰ সপোন আৰু চেষ্টা অত্যন্ত গুৰুত্বপূৰ্ণ।

আগলৈ...